# Course 506

# আত্ম বিকাশ আৰু স্ব-উন্নয়ন

ব্লক - 2

গোট - 5

টোকা

## গোট - 5 ঃ আত্মবিকাশ বা স্ব-উন্নয়ন

## গঠন


5.0 পাতনি

5.1 শিকনৰ উদ্দেশ্যসমূহ

5.2 শিশুৰ মনত আত্ম ধাৰণাৰ বিকাশ

5.2.1 ধাৰণা আৰু আত্ম ধাৰণাৰ কেনেকৈ গঠন হয়

5.2.2 আত্ম ধাৰণাক প্ৰভাৱান্বিত কৰা উপাদানসমূহ

5.3 শিশুৰ মনত মূল্যবোধৰ বিকাশ

5.3.1 মূল্যবোধৰ বিকাশৰ ক্ষেত্ৰত নিয়মানুবৰ্তিতাৰ ভূমিকা

5.4. শিশুৰ মনত মনোভাৱৰ বিকাশ

5.4.1 মনোভাৱৰ অৰ্থ

5.4.2 মনোভাৱৰ ভাগ

5.4.3 শিশুৰ মনোভাৱৰ বিকাশ

5.4.4 শিশুৰ ভাল মনোভাবৰ বিকাশত শিক্ষকৰ ভূমিকা

5.4.5 শিক্ষকৰ পাঁচটা সফল/ফলপ্ৰসু মনোভাৱ

5.5. সংবোধনৰ গুৰুত্ব আৰু শিশুৰ মনত ইয়াৰ বিকাশ

5.5.1 শিশুৰ মনত সংবোধনৰ বিকাশ

5.5.2 বাঢ়ি অহা শিশু এটিৰ ক্ষেত্ৰত সংবোধনৰ গুৰুত্ব

5.5.3 জ্ঞান, স্মৃতি আৰু সংবোধন

5.5.4 সংবোধনৰ বিকাশত খেলৰ গুৰুত্ব

5.6 অভিৰোচন

5.6.1 শিশুৰ অভিৰোচনৰ বৈশিষ্ট্য

5.6.2 অভিৰোচনৰ বিকাশ বা উন্নীতকৰণ

5.631 অভিৰোচনৰ সমৃদ্ধিকৰণ

5.7 সাৰাংশ প্ৰস্তুতকৰণ

5.8 আপোনাৰ অগ্ৰগতিৰ খতিয়ানক জানিবৰ বাবে উত্তৰ

5.9. পৰামৰ্শমূলক পঠন আৰু প্ৰসংগ

5.10. গোট সমাপ্তিৰ অনুশীলন



টোকা

## 5.0 পাতনি ঃ

এই কথা সকলোৰে অৱগত যে এটি শিশুৱে কোনোধৰণৰ অভিজ্ঞতা নোহোৱাকৈয়ে জন্মগ্ৰহণ কৰে। শিশুটি বাঢ়ি অহাৰ লগে লগে নতুন নতুন অভিজ্ঞতা লাভ কৰে। এই বৃদ্ধি দুই প্ৰকাৰৰ হয় যেনে শাৰীৰিক বৃদ্ধি আৰু মানসিক বৃদ্ধি। দিন যোৱাৰ লগে লগে শৰীৰৰ ওজন, উচ্চতা আদিৰ বৰ্ধনৰে শৰীৰিক বৃদ্ধি ঘটে। শিশুক খুওৱা খাদ্য, পুষ্টি আদিৰ ওপৰত শিশুৰ বৃদ্ধি নিৰ্ভৰ কৰে। মৰম, ভালপোৱা, নিয়মানুবৰ্তিতা আদিয়ে শিশুৰ মনোবৈজ্ঞানিক বা মানসিক বৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰে। এইবোৰে শিশুৰ আত্মধাৰণাৰ বিকাশক প্ৰভাৱান্বিত কৰে। শিক্ষক হিচাপে আপুনি শিশুসকলৰ ব্যক্তি পাৰ্থক্য দেখা পাব। অৱশ্যেই ই শিশু পৰ্যায়ত আত্ম ধাৰণাৰে গঢ় লোৱা ব্যক্তিত্ব। শিক্ষক হিচাবে আপুনি এই কথাটো বুজি পোৱা প্ৰয়োজন আৰু শিশুৰ আত্মধাৰণাক উন্নত কৰিবৰ বাবে তেওঁলোকক সহায় কৰা প্ৰয়োজন। শিশুৰ আত্ম ধাৰণাৰ বৃদ্ধিক প্ৰভাৱান্বিত কৰা বহুতো উপাদান আছে। এই গোট বা পাঠত আমি শিশুৰ মনত ধাৰণা সম্পৰ্কে হোৱা বৃদ্ধিক প্ৰভাৱান্বিত কৰা ভিন ভিন উপাদানৰ বিষয়ে আলোচনা কৰা হ'ব।

## 5.1 শিকনৰ উদ্দেশ্যসমূহ ঃ

এই গোটটো শেষ কৰাৰ পিছত, আপুনি জানিবলৈ সক্ষম হোৱা উচিত—

- আত্ম ধাৰণা কেনেকৈ গঢ় লৈ উঠে ব্যাখ্যা কৰিবলৈ
- আত্মধাৰণা বিকাশত সহায় কৰা অৱস্থাসমূহ প্ৰকাশ কৰিবলৈ
- আত্ম ধাৰণাৰ বিকাশক প্ৰভাৱান্বিত কৰা উপাদানসমূহ প্ৰকাশ কৰিবলৈ
- শিশুৰ মাজত মূল্যবোধ আৰু নৈতিক বিকাশৰ বিষয়ে বৰ্ণনা কৰিবলৈ
- মূল্যবোধৰ বিকাশত নিয়ম আৰু নিয়মানুবৰ্তিতাৰ বিষয়ে প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ
- শিশুৰ মনত ভাল মনোভাৱ গঢ়ি তোলাত শিক্ষকৰ ভূমিকা আৰু মনোভাৱৰ বিকাশৰ বিষয়ে বৰ্ণনা কৰিবলৈ
- সংবোধনৰ গুৰুত্ব আৰু শিশুৰ মনত ইয়াৰ বিকাশৰ বিষয়ে ব্যাখ্যা কৰিবলৈ
- শিশু অভিৰোচনৰ বৈশিষ্ট্য - অন্তৰ্নিহিত, অধ্যৱসায়, প্ৰত্যাহ্বানৰ নিৰ্বাচন আৰু নিৰ্ভৰশীলতা আদিৰ বিষয়ে বক্তব্য প্ৰকাশ কৰিবলৈ
- অভিৰোচনৰ বৃদ্ধি আৰু বিকাশ সাধনৰ পদ্ধতিসমূহ প্ৰদৰ্শন কৰিবলৈ

টোকা

## 5.2 শিশুৰ আত্মধাৰণাৰ বিকাশ

### 5.2.1. ধাৰণা আৰু আত্মধাৰণা কেনেকৈ গঢ় লয়

ধাৰণাই আমাৰ মনত এক প্ৰতিৰূপ হিচাপে গণ্য কৰা হয়; পৃথিৱীখনক ক্ৰিয়াত্মক গোট হিচাপে বুজাত শিশুসকলক সহায় কৰাত সেইবোৰে সেৰা আগবঢ়ায়। সকলো প্ৰকাৰৰ শিকনৰ বাবে এটা ধাৰণাই হৈছে মূল গোট। মানুহে কেঁচুৱা কালৰ পৰা বৃদ্ধ কাললৈকে নতুন নতুন ধাৰণা আয়ত্ব কৰে আৰু তেওঁলোকৰ দৈনন্দিন জীৱনৰ ন ন পৰিস্থিতিত পুৰণি ধাৰণাবোৰক ব্যৱহাৰ কৰে। বয়স, বুদ্ধিমত্তা আৰু অভিজ্ঞতাৰ ভিত্তিত ধাৰণা গঠনৰ স্তৰ অনুযায়ী ব্যক্তিসকলৰ মাজত পাৰ্থক্য হয়। ধাৰণা গঢ় লোৱাৰ প্ৰক্ৰিয়াটো এটা ডাঙৰ বিভ্ৰান্তিকৰ গুঞ্জন ধ্বনিৰ পৰা উদিত হয় য'ত শিশুৰ জনা হয়। এটি শিশুৱে নিৰ্দিষ্ট কিছুমান জৈৱিক গুণাগুণ লৈ জন্ম হয় আৰু তেওঁলোকৰ ইন্দ্ৰিয়সমূহৰ জৰিয়তে বাহ্য জগতৰ পৰা অভিজ্ঞতা আহৰণ কৰে যাক জ্ঞানৰ দুৱাৰমুখ বুলি অভিহিত কৰা হয়। যিকোনো শিশুৰ ক্ষেত্ৰতে কিছুমান ধাৰণা সম্পূৰ্ণ আৰু সঠিকভাৱে বিকশিত হয়, অন্য কিছুমান ধাৰণা আংশিকভাৱে বিকশিত হয় আৰু কিছু ক্ষেত্ৰত সম্পূৰ্ণ অজ্ঞতা প্ৰকাশ পায়। কাৰণ, সংস্কৃতিয়ে তেনেবোৰ নিৰ্দিষ্ট ক্ষমতাসমূহৰ বিকাশত প্ৰভাৱান্বিত কৰে, সাংস্কৃতিক বিভিন্নতাই ব্যক্তি পাৰ্থক্যৰ কাৰণ। ধাৰণা বিকাশৰ বাবে আগতীয়া কালচোৱা জটিল হয় যাৰ বাবে এটা উৎসাহজনক পৰিৱেশৰ প্ৰয়োজন যিয়ে বুজিব পৰাকৈ ভাব বিনিময় কৰাটো সম্ভৱ নহয়। তাৰোপৰি, বিকাশৰ দৃষ্টিকোণৰ পৰা শিশুৰ ঘৰুৱা পৰিৱেশ, বিদ্যালয় আৰু ওচৰ চুবুৰীয়াৰ পৰিৱেশো খুব গুৰুত্বপূৰ্ণ কথা। ক্ৰমান্বয়ে শিশুৱে তেওঁলোকৰ চাৰিওফালৰ পৃথিৱীখনক বুজিবলৈ আৰম্ভ কৰে আৰু লাহে লাহে বিভিন্ন ধাৰণাই গঢ় লৈ উঠে। শিশুৱে শিকা বিভিন্ন ধাৰণাসমূহ হৈছে জীৱন মৃত্যু সম্পৰ্কে ধাৰণা, শাৰীৰিক কাৰ্য, প্ৰসাৰতা, ওজন, সংখ্যা, সময়, সামাজিক সচেতনতা, সুন্দৰতা, আত্মধাৰণা ইত্যাদি।

এটি শিশুৱে আগতীয়া কালছোৱাত লাভ কৰা সুযোগ আৰু উদগণিৰ ওপৰতেই ধাৰণাৰ বিকাশ নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপে, বিভিন্ন দেশ ভ্ৰমণ কৰিবলৈ সুযোগ পোৱা এটি শিশুৱে পৃথিৱীত বাস কৰা সকলো লোকৰে যে নিজা বেলেগ বেলেগ ভাষা আৰু সংস্কৃতি আছে সেই কথা বুজিব পাৰে। এই জ্ঞানৰ অবিহনে এনে ধাৰণা বুজাত এটি শিশুৱে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব। গতিকে, সকলো শিশুৱে সকলো ধাৰণাৰ বিকাশ নঘটে আৰু নুবুজে, লগতে তেওঁলোকৰ বোধৰ পৰ্যায় অনুযায়ী বিভিন্ন ধাৰণাৰ পাৰ্থক্য হয়। অন্য ধৰণেৰে ক'বলৈ গ'লে, ব্যক্তি পাৰ্থক্য অনুযায়ী বেলেগ বেলেগ শিশুৰ ক্ষেত্ৰত বেলেগ বেলেগ ধাৰণা গঢ় লয় আৰু শিশুৰ পৰ্যায় অনুযায়ী ধাৰণাৰ বোধ জন্মে। শিশু যেতিয়া ডাঙৰ হয় আৰু বিদ্যালয়ত ভৰ্তি হয় এই পাৰ্থক্যবোৰৰ বেছিভাগেই কমিবলৈ বা মচ খাবলৈ আৰম্ভ কৰে, যদিও তেওঁলোক একেধৰণৰ শিকন পৰিৱেশতেই থাকে।

শাৰীৰিক বৃদ্ধিৰ লগে লগে শিশুৰ ব্যক্তিত্বৰো বিকাশ সাধন হয়। বহু মানুহৰ লগত



টোকা

ভাব চিন্তাৰ বিনিময় কৰিবলৈ লোৱাৰ লগে লগে শিশু অৱস্থাৰ বৃদ্ধি হ'বলৈ আৰম্ভ কৰে। পিতৃ-মাতৃ, সহোদৰ আৰু অন্যান্য সম্পৰ্কীয় মানুহেই শিশুৰ প্ৰথম সামাজিক পৃথিৱীখন গঢ়ি তোলে। সেই ব্যক্তিসকলৰ বিষয়ে শিশুৱে কি ভাবে আৰু ব্যক্তিসকলে শিশুসকলক কেনেদৰে আচৰণ কৰে ই এক গুৰুত্বপূৰ্ণ বিষয় আৰু ইয়াৰ ওপৰতে শিশুৰ আত্মধাৰণাই গঢ় লোৱাৰ লগতে ব্যক্তিত্ব গঠনতো প্ৰভাৱ পেলায়। শিশু এটি বাঢ়ি অহাৰ লগে লগে ওচৰ চুবুৰীয়া আৰু বিদ্যালয়ত যিমান লগ সমনীয়া বাঢ়ে আৰু লগ পায় সিয়েই শিশুৰ ব্যক্তিত্ব বিকাশত প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰে। এই মানুহবোৰৰ মনোভাৱ, তেওঁলোকে শিশুৰ প্ৰতি কৰা আচৰণ এইবোৰে শিশুৰ আত্মধাৰণাক প্ৰভাৱান্বিত কৰে। এইটো ঘৰুৱা পৰিৱেশত সৰুতে ক্ৰমান্বয়ে গঢ় লৈ উঠাৰ পৰাও হ'ব পাৰে, ইয়াৰ তাৰতম্যও ঘটিব পাৰে। নতুবা, ঘৰুৱা পৰিৱেশত বিকাশ লাভ কৰা শৈশৱৰ ধাৰণাৰ ওলোটাও হ'ব পাৰে।

শৈশৱৰ সমনীয়াৰ মনোভাব আৰু পৰিয়ালৰ সদস্যসকলৰ মনোভাৱ বৰ গুৰুত্বপূৰ্ণ কাৰণ, এবাৰ আত্ম ধাৰণাই গঢ় লৈ উঠাৰ পিছত ইয়াক সলনি কৰাতো বৰ আশাপ্ৰদ নহয়। সমনীয়া আৰু পৰিয়ালৰ সদস্যসকলে শিশুৰ চিন্তাৰ অভ্যাসটো এটা নিৰ্দিষ্ট গতত, যেনে সহায় কৰা, কষ্টকৰা, দুষ্ট, দুষ্টালিভৰা ইত্যাদি, গঢ় দিয়ে আৰু এই একে মনোভাবেৰে ধাৰাবাহিকতাৰে তেওঁলোক আগবাঢ়ে তেতিয়া চিন্তাৰ এই মণিডাল সলনি কৰাটো কঠিন হৈ পৰে।

সৰুতে শিকা বেছিভাগেই এটা বহল পৰিসৰত আৰম্ভ হয়। আগতীয়া শৈশৱকালত গঢ় লৈ উঠা আত্ম ধাৰণাৰ বিকাশক গঢ় দিয়াৰ বাবে ঘৰুৱা পৰিৱেশ আৰু পৰিয়ালৰ মাজৰ বহুতো চৰ্ত দায়বদ্ধ হৈ থাকে। পৰিয়ালৰ সদস্যসকলৰ লগত কণ কণ শিশুসকলৰ সাধাৰণ সম্পৰ্কতো খুউব গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে পিতৃ-মাতৃৰ মনোভাৱ। শিশুৰ গঢ়, দক্ষতা, কৃতকাৰ্যতা ইত্যাদি লৈ পিতৃ-মাতৃয়ে কি অনুভৱ কৰে এই কথাটোৰ শিশুৱে নিজকে কেনেকৈ অৰুভৱ কৰে তাৰ ওপৰত এটা গভীৰ প্ৰভাৱ পৰে।

শিশুক ঘৰত প্ৰশিক্ষণ দিয়াত ব্যৱহাৰ কৰা পদ্ধতিও শিশুৰ আত্মধাৰণা বিকাশক গঢ় দিয়াৰ বাবে খুউব গুৰুত্বপূৰ্ণ। কঠোৰ কৰ্তৃত্বশীল, নিয়মানুবৰ্তিতা আৰু সঘন শাস্তিয়ে কৰ্তৃত্বশীল সকলো ব্যক্তিৰ প্ৰতি বিৰূপ মনোভাৱৰ সৃষ্টি কৰে। শিশুৰ প্ৰতি থকা পিতৃ-মাতৃৰ উচ্চাকাংক্ষাও শিশুৰ আত্মধাৰণাৰ বিকাশৰ বাবে খুউব গুৰুত্বপূৰ্ণ আৰু অত্যন্ত প্ৰভাৱশালী। যেতিয়া উচ্চাকাংক্ষাবোৰ অবাস্তৱভাৱে উচ্চ হয় তেতিয়া শিশুৱে অকৃতকাৰ্যৰ দুৰ্ভাবনাত ভুগে। এই কথাটোৱেই শিশুৰ মনত হীনমান্যতা আৰু অনুপযুক্ততাৰ ভাবৰ ভেটি গঢ়ি তোলে। তেওঁলোকে নিজকে অপদাৰ্থ আৰু কোনো কামৰ বাবে উপযুক্ত নহয় বুলি ভাবিবলৈ আৰম্ভ কৰে।

এটা পৰিয়ালত শিশুৰ ক্ৰমাগত স্থানেও শিশুৰ ব্যক্তিত্ব বিকাশত প্ৰভাৱ পেলায়। সেইটো হৈছে, শিশুটি প্ৰথম নে দ্বিতীয় নে তৃতীয়..... সন্তান এই কথাটোৱেও শিশুৰ আত্মধাৰণাৰ বিকাশত প্ৰভাৱ পেলায়। জন্মৰ এই ক্ৰমেও কোনো বিশেষ পৰিস্থিতিত এক তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। জন্মৰ ক্ৰম অনুযায়ী শিশুৰ ওপৰত থকা প্ৰত্যাশা নিৰ্ভৰ



টোকা

কৰা দেখা যায়। এইটো খুউব স্পষ্ট যে ভিন ভিন শিশুৰ ক্ষেত্ৰত প্ৰশিক্ষণ পদ্ধতি শিশুৰ জন্মৰ ক্ৰম অনুযায়ী বেলেগ হয়। এই ক্ষেত্ৰত অন্য এটা দিশ হৈছে সহোদৰৰ লগত শিশুৰ কৃতকাৰ্য বা অকৃতকাৰ্যক লৈ হোৱা প্ৰতিযোগিতা।

শৈশৱ কালত জাতি, ধৰ্ম, বৰ্ণ আদি কথাবোৰ লৈ শিশুসকল সজাগ নহয়। কিন্তু তেওঁলোক ডাঙৰ হৈ অহাৰ লগে লগে জীৱনৰ ক'ৰবাত তেওঁলোকে এই বিষয়টোৰ মুখামুখি হয়। এখন সমাজৰ মানুহবোৰৰ লগত শিশুসকলে ভাব বিনিময় কৰিবলৈ আৰম্ব কৰাৰ লগে লগে এই বিষয়টো বেছি স্পষ্ট হৈ পৰে। শিশুটি ডাঙৰ দীঘল হোৱাৰ পটভূমিৰ ওপৰতেই ভিন্ন ভিন্ন মানুহৰ লগত কৰা পাৰস্পৰিক সম্পৰ্ক পিছলৈ নিৰ্ভৰ কৰে আৰু ইয়েই ভাল লগা বা বেয়া লগা অভিজ্ঞতাৰ দিশলৈ আগবঢ়াই নিয়ে। এই অভিজ্ঞতা যদি সুখদায়ক হয় তেন্তে, তেওঁলোকৰ সদ ভাৱৰ আত্মধাৰণা গঢ় ল'ব। আৰু যদি সমনীয়াসকলে হেয় জ্ঞান কৰে বা নাকচ কৰে তেন্তে নেতিবাচক আত্মধাৰণা গঢ় ল'ব। এনে প্ৰেক্ষাপটত শিশুৱে সদায় এটা সুবিধাজনক স্থান বিচাৰিব য'ত শিশুটিৰ নিজা মানুহৰ মাজত সমাজখন পৰিপূৰ্ণ হৈ থাকিব। এই সময়ৰ পৰাই বৈষম্যৰ অনুভৱ বাঢ়িবলৈ আৰম্ভ কৰে। শিশুৰ মনত তেনে বৈষম্যৰ ভাৱ যাতে গা কৰি উঠিব নোৱাৰে তাৰ বাবে সঠিক কৌশল নিৰ্ধাৰণ কৰি সঠিক দিশত শিশুসকলক যাতে আগবঢ়াই নিব পাৰে তাকেই এজন শিক্ষক হিচাপে আপোনাৰ পৰা আশা কৰা হৈছে।

ইতিমধ্যে শিশুটিয়ে শেহতীয়া শৈশৱকালত ভৰি দিয়ে আৰু লিংগ অধিকাৰৰ বিষয়ে শিকিবলৈ আৰম্ভ কৰে। যেতিয়া লিংগ অধিকাৰ সম্পৰ্কে তেওঁলোকৰ এটা মনোভাব গঢ় লৈ উঠে, তেওঁলোক অন্যলোকৰ নিচিনা হয় আৰু এক ভাল লগা ব্যক্তিত্বৰ বৈশিষ্ট্যৰে সাঙোৰ খাই পৰে। ল'ৰাবোৰে ল'ৰাৰ দৰেই আচৰণ আৰম্ভ কৰে আৰু ছোৱালীবোৰে ছোৱালীৰ দৰে আচৰণ প্ৰদৰ্শন কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকে যেতিয়া এনে নকৰে তেতিয়া সেইটোক (আচৰণৰ) প্ৰতিকূল হিচাপেহে গণ্য কৰা হয়। ছোৱালীৰ ক্ষেত্ৰত এইটো বেছিকৈ হয়।

মৃত্যু, পৃথকীকৰণ, এৰাএৰি নাইবা সামাজিক গতিশীলতা আদি বিভিন্ন কাৰণত হোৱা পৰিৱেশিক নিৰাপত্তাহীনতাই শিশুৰ আত্মধাৰণাক বিস্তৃত ভাৱে বেয়াকৈ প্ৰভাৱান্বিত কৰে। এই কাৰণবোৰৰ বাবে শিশুৱে সমনীয়াবোৰৰ পৰা নিজকে বেলেগ বুলি অনুভৱ কৰাৰ কাৰণেই এনেকুৱা হয়। পিতৃ-মাতৃৰ উৰ্ধ্বমুখী বা নিম্নমুখী গতিশীলতা এই দুয়োটাই পৃথকভাৱে শিশুৰ আত্মধাৰণাৰ বিকাশক প্ৰভাৱিত কৰে। সেইবাবে বাঢ়ি অহাশিশুক এটা নিৰাপদ পৰিৱেশ দিব পৰাতো খুউব গুৰুত্বপূৰ্ণ কথা। আগতীয়া শৈশৱকালত ঘটা বা লাভ কৰা বিভিন্ন অভিজ্ঞতা বা ঘটনাৰ ওপৰতেই অনুকূল বা প্ৰতিকূল ধাৰণাৰ বিকাশ নিৰ্ভৰ কৰে। শিশুটিক লৈ পিতৃ-মাতৃৰ অবাস্তৱ উচ্চাকাংক্ষা আছে বুলি শিশুৱে যেতিয়া অনুভৱ কৰে, তেতিয়া সমনীয়াসকলে সামাজিক হ'বলৈ আৰম্ভ কৰে আৰু এজনে নিজৰ মাজতে আবদ্ধ থাকিবলগীয়া হয়, যেতিয়া তেওঁলোকৰ প্ৰতি সামাজিক মনোভাৱ প্ৰতিকূল হয় আদি বিভিন্ন কাৰণত শিশুৰ মনত প্ৰতিকূল আত্মধাৰণা গঢ়ি উঠিব পাৰে। এই কাৰণবোৰৰ বাবেই আত্মধাৰণা বিষয়ত শিশুৰ



টোকা

মনোভাৱ প্ৰতিকূল হিচাবে গঢ়ি উঠিব পাৰে। পিতৃ-মাতৃয়ে ভাবে সময়ত তেওঁলোকৰ শিশুটি বাঢ়ি অহাৰ লগে লগে এই প্ৰতিকূল আত্মধাৰণা এৰি দিব। কিন্তু সত্যটো হৈছে শিশুটি বাঢ়ি অহাৰ লগতে এই প্ৰতিকূল আত্মধাৰণাবোৰ ব্যাপক হয় আৰু ই বেছিকৈহে অপৰিৱৰ্তিত হৈ পৰে। যি কাৰণতেই নহওক কিয় এই প্ৰতিকূল আত্মধাৰণাবোৰে শৈশৱকালত অতি সহজেই বিকাশ লাভ কৰে। শৈশৱ কালত অনুকূল ধাৰণাৰ বিকাশৰ বাবে আনন্দ বা স্ফূৰ্তিৰ খুউব প্ৰয়োজন। এটি শিশুৱে শৈশৱৰ বেছিভাগ সময়ে যিহেতু ঘৰত অতিবাহিত কৰে, গতিকে পৰিয়ালৰ সদস্যসকলে শিশুটিৰ প্ৰতি কেনে আচৰণ প্ৰদৰ্শন কৰিছে তাৰ ওপৰতে আনন্দ বা স্ফূৰ্তিৰ কথাটো নিৰ্ভৰ কৰে।

আনন্দ বা স্ফূৰ্তিৰ বিষয়ত তিনিটা ‘A’ৰ প্ৰসংগত এনেকৈ কোৱা হয় ঃ অন্যৰ দ্বাৰা গ্ৰহণ (Acceptance), মৰম (Affection) আৰু সাফল্য (Achievement)। আনন্দময়তাৰ বাবে শিশুৰ কিছুমান প্ৰাথমিক প্ৰয়োজন পূৰণ হ’বলৈ দিব লাগে। যিবোৰৰ প্ৰতিদান হিচাপে শিশুৰ সদৰ্থক বা অনুকূল আত্মধাৰণা গঠনত সহায়ক হ’ব।

## 5.2.2. আত্মধাৰণা প্ৰভাৱিত কৰা কাৰকসমূহ

আত্মধাৰণা বিকাশত প্ৰভাৱিত কৰা বহুতো কাৰক আছে। সেইবোৰ তলত দিয়া হ’ল—

(১) **শাৰীৰিক অৱস্থা ঃ** সু-স্বাস্থ্যই সদায় সঠিক আৰু স্বাস্থ্যৱান হোৱাৰ পথ সুচল কৰি তোলে। ভগ্ন স্বাস্থ্য নাইবা শাৰীৰিক বাধাগ্ৰস্ততাই সমনীয়াৰ লগত মনোভাৱ বিনিময় কৰাৰ পৰা শিশুক আঁতৰাই ৰাখে। অসহায়তা আৰু দুৰ্বলতাই শিশুৰ মনত হীনমন্যতাৰ সৃষ্টি কৰে।

(২) **শৰীৰৰ গঠন ঃ** যেতিয়া এটি শিশুৰ বৰ্ধন সাধাৰণভাৱে (Normal) নহয় তেতিয়া তেনে শিশুৱে সাধাৰণতে তেওঁলোকৰ একে বয়সৰ শিশুৰ লগত গতি মিলাই চলিবলৈ অক্ষম হয়। একেটা কথাই অতিৰিক্ত ওজনৰ শিশুৰ ক্ষেত্ৰতো প্ৰযোজ্য। সমনীয়া অইনৰ লগত থকা তেনেধৰণৰ পাৰ্থক্যৰ অনুভৱে তেওঁলোকৰ মনত হীনমান্যতাৰ সৃষ্টি কৰে।

(৩) **নাম আৰু উপনাম ঃ** ধেমালিৰ বাবেই উপনামৰ আৰম্ভ হয়। যি কি নহওক, কেতিয়াবা তেওঁলোকে নেৰানেপেৰাকৈ এই কথাটোকে কৈ থাকিলে কিছুমান শিশুৱে ইয়াৰ দ্বাৰা উপলুঙা কৰা বুলি অনুভৱ কৰে। যদি উপনামটো শাৰীৰিক বা ব্যক্তিত্ব বিষয়ক কেন্দ্ৰ কৰি হয় তেন্তে ইয়াৰ দ্বাৰা শিশুৰ মনত হীনমান্যতাৰ ভাব সৃষ্টি হয়।

(৪) **বিদ্যালয় পৰিৱেশ ঃ** শিশুৰ সৈতে ভাল বুজাবুজি গঢ়ি তুলিবৰ বাবে শিক্ষকসকলে যত্ন কৰাৰ বহু উদাহৰণ আছে। তথাপিও শিক্ষকে বান্ধি দিয়া নিয়মানুবৰ্তিতাই শিশুক অশান্ত কৰি তোলে। সেয়াই শিক্ষক আৰু নিজৰ প্ৰতি অসন্মানৰ ভাব সৃষ্টি কৰে।

(৫) **সামাজিক গ্ৰহণযোগ্যতা ঃ** গ্ৰহণ কৰিলেও বা নকৰিলেও সমনীয়াৰ প্ৰভাৱ



টোকা

শিশুৰ আত্মধাৰণাৰ জৰিয়তে ব্যক্তিত্বক প্ৰভাৱান্বিত কৰে। জনপ্ৰিয় বা কম জনপ্ৰিয় উভয় শিশুৱেই ইয়াৰ দ্বাৰা মাকৰ অইন শিশুতকৈ বেছি প্ৰভাৱিত হয়।

(৬) **কৃতকাৰ্যতা নাইবা ব্যৰ্থতা ঃ** শিশুসকলে তেওঁলোকৰ বয়স অনুযায়ী দুই এটা কাম কৰাতো আশা কৰা যায়। তেওঁলোকৰ বয়সৰ প্ৰায়বোৰ শিশুৱেই এনে কামবোৰ সাধাৰণতে কৰে। যিকোনো কাৰণৰ বাবে কিছুমান শিশু এই কামবোৰ কৰিবলৈ অক্ষম। দৃঢ়তা আৰু আত্মধাৰণাৰ ওপৰতেই কৃতকাৰ্যতা নিৰ্ভৰ কৰে। অনুপযুক্ততাৰ ভাবৰ বাবে ব্যৰ্থতা আহে। যেতিয়া কৃতকাৰ্যতাৰ মাপকাঠিডাল উচ্চ আৰু গৌৰৱময় হয়, ইয়ে আত্মধাৰণাক প্ৰভাৱান্বিত কৰে। আনহাতে ব্যৰ্থতাৰ ধাৰাবাহিকতাই শিশুৰ ব্যক্তিত্বত ক্ষতিকাৰক প্ৰভাৱ পেলায়।

(৭) **লিংগ ঃ** আমাৰ দেশত ছোৱালীবোৰে জোৰকৈ পালন কৰিবলগীয়া হোৱা ভূমিকাৰ বাবে অতি সোনকালেই তেওঁলোকে হীনমান্যতাত ভুগিবলগীয়া হয়। ফলত আত্মমূল্যায়ন নিম্নমুখী হয়। সমাজেও ইয়াত অৰিহণা যোগায়। এই ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ মাজত যে কোনো পাৰ্থক্য নাই আৰু ল'ৰা-ছোৱালী যে সকলো দিশতে সমান সেই ধাৰণাটো তেওঁলোকক বুজোৱাৰ দায়িত্ব শিক্ষকৰ ওপৰত নিৰ্ভৰ কৰে।

(৮) **বুদ্ধিমত্তা ঃ** শিশুসকলে যদি গতানুগতিকৰ পৰা পথচ্যুত হয় তেন্তে তেওঁলোকৰ ব্যক্তিত্বত প্ৰতিকূল প্ৰভাৱ পৰিব। এনেদৰে বেছিদিন হোৱাৰ আগতেই তেওঁলোকে অনুভৱ কৰিব যে গড়মানৰে শিশুতকৈ তেওঁলোক ক'ৰবাত কম আৰু এই অনুভৱৰ পৰাই তেওঁলোকৰ হীনমন্যতাৰ ভাবৰ বিকাশ আৰম্ভ হয়। এইটোৰ বাবেই তেওঁলোক লজ্জাবোধ কৰিবলৈ আৰম্ভ কৰে আৰু নিজৰ মাজতে নিজক আবদ্ধ ৰাখে। অৱশ্যে এনে শিশু জেদী হোৱাতোৰো সম্ভাৱনা থাকে।

(৯) **অন্যান্য কাৰকসমূহ ঃ** পৰিয়ালৰ লোকৰ সৈতে সম্পৰ্ক, ক্ৰম অনুযায়ী সন্তানৰ স্থান, শিশু প্ৰশিক্ষণৰ পদ্ধতি, নিজে থকা নৃ-গোষ্ঠীয় দল, গতিশীল পৰিৱেশ ইত্যাদি এই সকলোৱেই ধাৰণা গঢ়ি তোলাত প্ৰভাৱ পেলোৱাত এক উল্লেখযোগ্য ভূমিকা পালন কৰে।

শ্ৰেণীকোঠাত এজন শিক্ষকে এই সকলো কাৰকৰ ভূমিকাৰ প্ৰতি সজাগ থাকিব লাগে আৰু শিশুৰ ভাল আত্মধাৰণাৰ বিকাশত তেওঁ কেনেকৈ সুবিধা প্ৰদান কৰিব পাৰে তাৰ প্ৰতিও তেওঁ সজাগ হ'ব লাগে। ছাত্ৰ-ছাত্ৰীসকলৰ সু-স্বাস্থ্য গঢ়ি তোলাৰ বাবে তেওঁলোকক কিছুমান ভাল অভ্যাস, যেনে- খোৱাৰ আগতে হাত ধোৱা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, চুলি আঁচোৱা, প্ৰতিদিনে দুবাৰকৈ দাঁত ঘঁহা ইত্যাদি গঠনৰ জৰিয়তে শিক্ষকে সুচলকাৰীৰ ভূমিকা পালন কৰিব পাৰে। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ খাদ্যাভাস নিৰীক্ষণ কৰা আৰু বাহিৰৰ খাদ্য খোৱাৰ অভ্যাসৰ ওপৰত প্ৰতিৰোধ গঢ়া উচিত। শ্ৰেণীকোঠাৰ ভিতৰত আৰু বাহিৰতো সামাজিক গ্ৰহণযোগ্যতা বজাই ৰখাৰ বাবে, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাল বুজাবুজি আৰু একতা বৰ্তাই ৰাখিবৰ বাবেই ছাত্ৰ-ছাত্ৰীৰ উপনাম ব্যৱহাৰ


টোকা

কৰিবলৈ শিক্ষকে কেতিয়াও অনুমতি দিয়া উচিত নহয়। পৰীক্ষাত শিশুসকল অকৃতকাৰ্য হ'লে তেনে শিশুক শিক্ষকে ব্যক্তিগতভাৱে মনোযোগ দিব লাগে আৰু অকৃতকাৰ্যতাৰ কাৰণসমূহ উলিয়াবলৈ যত্ন কৰিব লাগে। বহু উদাহৰণত অকৃতকাৰ্যতাৰ কাৰণ হিচাবে ঘৰত শিকন সুযোগৰ অভাৱ কথাটোৰেই দেখা যায়। শিক্ষক যেতিয়া মৰমীয়াল, বুজি পোৱা আৰু ভাল পোৱা বিধৰ হয় তেতিয়াই তেওঁৰ আধা কাম সম্পন্নই হয়। বাকী থকা আধা কামৰ বাবে তেওঁ কিছু চেষ্টা কৰাৰ প্ৰয়োজন হয়। শিক্ষকে এনেকৈ চেষ্টা কৰোঁতে চাব লাগে যাতে লিংগ সমতা, অটুট থাকে, কোনোধৰণৰ লিংগ বৈষম্য যাতে নহয় আৰু কম বুদ্ধিমত্তা শিশুৰ উপস্থিতিত তীক্ষ্ণ বুদ্ধিমত্তা শিশুক তীক্ষ্ণতা দেখুওৱাতো কমাবলৈ চেষ্টা কৰিব লাগে। যেতিয়া সকলোকে সমভাবে চোৱা যায় তেতিয়া কম বুদ্ধিমত্তাৰ শিশুসকলেও আগবাঢ়ি যোৱাৰ সুবিধা পায়। অন্যান্য ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত যদি তেওঁলোকৰ প্ৰতি বৈষম্য ভাব দেখুওৱা হয় আৰু তেওঁলোকৰ ব্যৰ্থতাক এক বিষয় হিচাপে লোৱা হয় তেন্তে ইয়াৰ ফলাফল স্বৰূপে সেইসকল ছাত্ৰ-ছাত্ৰীৰ মনত নিজৰ প্ৰতি হীন মনোভাৱে গা কৰি উঠিব- যিটো কেতিয়াও ভাল কথা নহয়।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক 1**

1. আত্মধাৰণা কেনেকৈ গঢ় লয় ব্যাখ্যা কৰক।

.................................................................................................................

.................................................................................................................

.................................................................................................................

2. আত্মধাৰণাক প্ৰভাৱান্বিত কৰা কাৰকসমূহ কি কি আৰু শিশুৰ আত্মধাৰণাৰ বিকাশ উন্নত কৰাত এজন শিক্ষকে কেনেকৈ সুবিধা দিব পাৰে?

.................................................................................................................

.................................................................................................................

.................................................................................................................

## 5.3 শিশুৰ মনত আত্মবোধৰ বিকাশ

ব্যক্তি আৰু বিষয়ৰ ক্ষেত্ৰত নৈতিক বিশ্বাস আৰু মনোভাৱৰ বিষয়ে বুজাবলৈ ১৮৮০ চনত ফ্ৰেডৰিক নেট্‌চি নামৰ এজন জাৰ্মান দাৰ্শনিকে প্ৰথম 'মূল্যবোধ' শব্দটো ব্যৱহাৰ কৰিছিল। প্ৰতিখন সমাজেই কিছুমান নিৰ্দিষ্ট মূল্যবোধৰে বৈশিষ্ট্যপূৰ্ণ আৰু এইবোৰ সমাজৰ ব্যক্তিসকললৈ ক্ৰমে পাৰ হৈ হৈ আহে। জীৱনত মানুহে যিটো গুৰুত্বসহকাৰে বিবেচনা কৰে আৰু যিটো সদায় ভাল নতুবা উচিত বা শোভনীয় হয় সেয়াই হৈছে মূল্যবোধ। জীৱনত ব্যক্তিগত অভিজ্ঞতাৰ দ্বাৰাই এইবোৰ আহৰণ কৰা হয়। মূল্যবোধ-পদ্ধতিটো সমাজ অনুযায়ী সাধাৰণতে বেলেগ বেলেগ হয়। 'পায়' আৰু 'নেপায়', 'শুদ্ধ' আৰু 'ভুল'ৰ দ্বাৰাই মূল্যবোধৰ সৃষ্টি। মূল্যবোধৰ বহুতো ভাগ আছে। সেইবোৰ তলত দিয়া হ'ল—

টোকা

- ➯ ব্যক্তিগত মূল্যবোধ
- ➯ সামাজিক মূল্যবোধ
- ➯ নৈতিক মূল্যবোধ
- ➯ আধ্যাত্মিক মূল্যবোধ
- ➯ সাংস্কৃতিক মূল্যবোধ
- ➯ চিৰন্তন মূল্যবোধ

শিশুসকল যেতিয়া জন্ম হয় তেওঁলোক নৈতিক বা অনৈতিক হৈ জন্ম নহয়। অন্য ভাষাত ক'বলৈ গ'লে তেওঁলোকৰ কোনো নৈতিক মানদণ্ড নাথাকে। লাহে লাহে তেওঁলোক ডাঙৰ হৈ অহাৰ লগে লগে প্ৰথমে পিতৃ-মাতৃ আৰু পিছত শিক্ষক আৰু খেলৰ লগৰী আৰু সমাজৰ পৰা এইবোৰ আহৰণ কৰে। আগতীয়া শৈশৱকালতেই নৈতিকতাৰ বিকাশৰ বুনিয়াদ গঢ় লয় আৰু লাহে লাহে ইয়েই পৰৱৰ্তী সময়ত তেওঁলোকৰ আচৰণৰ পথ নিৰ্দেশক হয়। কোনো ধৰণৰ মানৰ দ্বাৰা শিশুৱে আচৰণ কৰাতো কোনেও নিবিচাৰে। কিন্তু ইয়াতেই এটা সমস্যা হয় যে শিশুসকলে সোনকালেই বুজি উঠে যে অনেক আমনি পোৱা কাম কৰিলে তেওঁলোকে বেছি মনোযোগ পায়।

আগতীয়া শৈশৱকালত নৈতিক বিকাশ নিম্ন পৰ্যায়ত থাকে। এইটো হোৱাৰ কাৰণ হ'ল ভুল শুদ্ধৰ নীতিৰ প্ৰয়োগ কৰিব পৰাৰ বোধত উপনীত হ'ব পৰাকৈ তেওঁলোকৰ বৌদ্ধিক বিকাশ সেই পৰ্যায়লৈ লৈ নাযায়। বয়স বাঢ়ি অহাৰ লগে লগে বিশেষ পৰিস্থিতিত তেওঁলোকে অভিজ্ঞতা আহৰণ কৰাৰ লগে লগে এনেবোৰ কথা শিকিবলৈ আৰম্ভ কৰে। শিশুক যেতিয়া কিবা এটা কৰিবলৈ বা নকৰিবলৈ কোৱা হয় তেতিয়া সেইটো ভুল বা শুদ্ধ সেই অনুযায়ী তেওঁলোকৰ আচৰণ প্ৰদৰ্শিত নহয় কিন্তু, সেই সময়ত তেওঁলোকৰ প্ৰয়োজনীয়তাৰ বাবে বেছিহে কৰিবলগীয়া হয়। বাৰে বাৰে কৰা ভুলৰ বাবে পোৱা শাস্তিৰ দ্বাৰাই তেওঁলোকে ভুলটো বুজি পোৱা হয়। অন্যফালে ভাল কামৰ পৰা পুৰস্কাৰ লাভৰ বাবে সমাজে কৰা আশাৰ বিষয়েও তেওঁলোকে বুজি পায়। এনেদৰেই শাস্তি আৰু পুৰস্কাৰ হৈছে দুটা কাৰক য'ৰ পৰা শিশুৱে নৈতিক মূল্যবোধৰ বিষয়ে বুজিবলৈ আৰম্ভ কৰে।

কেতিয়াবা একে ব্যৱহাৰৰ বাবে বেলেগ বেলেগ মানুহৰ বেলেগ বেলেগ নিয়ম থাকে। উদাহৰণস্বৰূপে, ককায়েকে ভনীয়েকক মাৰিলে মাকে শাস্তি দিয়ে আৰু ইয়াৰ পৰাই তেওঁলোকে বুজি পায় যে এইটো ভুল আচৰণ। কিন্তু এই একেটা কামৰ বাবে দেউতাকে হাঁহে যদি শিশুৱে ভাবে যে এইটো এটা ধেমালি আৰু তেওঁলোক দোধোৰ মোধোৰ হয় লগতে শিশুৱে দেউতাক থাকিলে ভনীয়েকক অত্যাচাৰ কৰিব পৰা দুৰ্বললোক বুলি ভাবিবলৈ লয় আৰু মাকৰ উপস্থিতিত শান্ত হৈ ৰয়।

পাঁচৰ পৰা বাৰ বছৰৰ মাজত বয়সত শিশুৰ পিতৃ-মাতৃৰ পৰা শিকা শুদ্ধ ভুলৰ অনমনীয়া ভাবধাৰণাৰ সংশোধন হয় আৰু নৈতিক ভ্ৰষ্টাচাৰে বেষ্টিত হৈ থকা বিশেষ



টোকা

পৰিৱেশৰ প্ৰতি দৃষ্টি নিবন্ধ হয়। লাহে লাহে যেতিয়া শিশু ডাঙৰ হয় তেতিয়া দৃষ্টিভংগীৰ পৰিৱৰ্তন হয়। শিশুসকল নিজা সমনীয়া দলৰ দ্বাৰা প্ৰভাৱান্বিত হয় আৰু দলৰ জ্যেষ্ঠজনক চিনাক্ত কৰা হয়। শিশুসকলে যৌৱনকাল অতিক্ৰম কৰালৈকে একেধৰণেই দলীয়ভাৱে থাকে আৰু ক্ৰমান্বয়ে ডাঙৰ হৈ অহাৰ লগে লগে তেওঁলোকৰ চিন্তা ধাৰণাৰ মানদণ্ড প্ৰাপ্তবয়স্কৰ দৰে গঢ় লয়।

## 5.3.1. মূল্যবোধৰ বিকাশত নিয়মানুবৰ্তিতা বা অনুশাসনৰ ভূমিকা ঃ

শিশুৰ বয়স অনুযায়ীয়ে নিয়মানুবৰ্তিতা মানি আচৰণ প্ৰদৰ্শন কৰিবলৈ শিকোৱা হয়। শৈশৱস্থাত শিশুৱে ঘৰ আৰু ওচৰ চুবুৰীয়াৰ ওচৰত সঠিক অৱস্থাত শুদ্ধ সঠিক সঁহাৰি জনাবলৈ আৰম্ভ কৰে। ভুল কামৰ বাবে যেতিয়া শাস্তিৰ ব্যৱস্থা নিহিত হৈ থাকে তেতিয়া কঠোৰভাৱে নিয়মানুবৰ্তিতা অনুসৰণ কৰা হয়। আনকি তেনেই কুমলীয়া শিশুৰ বেলিকাও একপ্ৰকাৰ আচৰণ মানিবলৈ জোৰ কৰা হয়। সজ আচৰণৰ বাবে মৰম আৰু পুৰস্কাৰ, অসজ আচৰণৰ বাবে শাস্তিৰ পৰাই মূল্যবোধৰ শিক্ষা আৰম্ভ হয় আৰু শৈশৱৰ নৈতিক মানৰ বিকাশ হয়।

শিশুসকলক নৈতিক আচৰণ শিকাবৰ বাবে সমাজৰ পথ হৈছে নিয়মানুবৰ্তিতা আৰু ই সমাজ ব্যৱস্থাৰ দ্বাৰা স্বীকৃত হোৱা। ইয়াৰ লক্ষ্য হৈছে কোনটো শুদ্ধ আৰু কোনটো স্বীকৃত নহয় সেই বিষয়ে শিশুসকলক জানিবলৈ দিয়া আৰু এই মান ৰাখি আচৰণ প্ৰদৰ্শনৰ বাবে তেওঁলোকক অভিৰুচিত বা উৎসাহিত কৰিব লাগে। আগতীয়া শৈশৱকালত শিশুসকলে ইচ্ছাকৃতভাৱে কৰা ভুল কামবোৰৰ বাবেহে শাস্তিৰ ওপৰত গুৰুত্ব দিয়া উচিত অৰ্থাৎ তেওঁলোকৰ পৰা কি আশা কৰা হৈছে সেইটো জানি দিয়ে। কেতিয়াবা উদ্দেশ্যপ্ৰণোদিতভাৱে তেওঁলোকে ভুল কৰে। সামাজিকভাৱে স্বীকৃত আচৰণ প্ৰদৰ্শন কৰি শিকিবলৈ ল'ৰা-ছোৱালীক অভিৰোচিত কৰাৰ ক্ষেত্ৰত পুৰস্কাৰ প্ৰদানে অভিৰোচনক অধিক শক্তিশালী কৰি তোলে। ইয়াৰ বাবে তিনি প্ৰকাৰৰ নিয়মানুবৰ্তিতা ব্যৱহাৰ কৰা হয়। সেইবোৰ তলত দিয়া হ'ল।

➪ কৰ্তৃত্ববাদী নিয়মানুবৰ্তিতাৰ মূল কথা হৈছে 'চেকনিৰ আগত বিদ্যা' ইয়াত পিতৃ-মাতৃ, শিক্ষক, অভিভাৱক ইত্যাদিয়ে কিছুমান নীতি নিয়ম প্ৰস্তুত কৰে আৰু শিশুসকলৰ এই নিয়ম নীতিৰ প্ৰতি অনুগত হৈ থকাতো আশা কৰে বুলি তেওঁলোকক কোৱা হয়। এই নিয়ম নীতিবোৰ কিয় কৰা হৈছে সেই বিষয়ে কোনো ব্যাখ্যা দিয়া নহয় আৰু শিশুসকলেনো কিয় এই নীতি-নিয়মবোৰৰ প্ৰতি অনুগত হৈ থাকিব লাগে সেই বিষয়েও কোনো ব্যাখ্যা নিদিয়ে। যদি শিশুসকলে এই নীতি নিয়মবোৰৰ প্ৰতি আনুগত্য প্ৰকাশত ব্যৰ্থ হয় তেন্তে তেওঁলোক শাস্তিৰ সন্মুখীন হ'বলগীয়া হয়।

➪ **সমৰ্থিত নিয়মানুবৰ্তিতা ঃ** বহু প্ৰাপ্তবয়স্কই তেওঁলোকৰ সৰুকালত দিয়া কৰ্তৃত্বশীল নিয়মানুবৰ্তিতাৰ বিৰোধিতা কৰে। ইয়াৰ মূল দৰ্শন হৈছে সামাজিকভাৱে স্বীকৃত পথত কেনেকৈ আচৰণ কৰিব লাগে সেয়া শিশুৱে আচৰণৰ পৰিণতি হিচাপেই

টোকা

শিকিব। সেয়েহে, শিশুক নীতি-নিয়ম শিকাব নালাগে। কোনো নিয়মৰ বিপৰীতে কাম কৰাৰ বাবে শিশুক শাস্তি দিব নালাগে লগতে সমাজ স্বীকৃত আচৰণ প্ৰদৰ্শন কৰাৰ বাবে পুৰস্কৃতও কৰিব নালাগে।

➯ **গণতান্ত্ৰিক নিয়মানুবৰ্তিতা ঃ** নীতি-নিয়মবোৰ কিয় কৰা হয় সেই বিষয়ে শিশুসকলে জনাৰ অধিকাৰক প্ৰথমে গুৰুত্ব দিয়ে আৰু তেওঁলোকক মতামত প্ৰকাশৰ সুযোগ দিয়ে। শিশুসকলে বুজি পায় আৰু তাক মানি লয়। ইয়াত দোষ চাই শাস্তি প্ৰদান কৰা হয়। অৰ্থাৎ ভুল কৰা কৰ্মৰ লগত শাস্তি জড়িত হৈ থাকে। এনেধৰণেই প্ৰশংসা আৰু সামাজিক স্বীকৃতি হিচাপে পুৰস্কাৰ দিয়া হয়।

বিজ্ঞানসন্মতভাৱে বেলেগ বেলেগ নিয়মানুবৰ্তিতাৰ বেলেগ বেলেগ প্ৰভাৱ শিশুৰ ওপৰত পৰে। তেওঁলোকৰ আচৰণ, মনোভাৱ আৰু ব্যক্তিত্বৰ পৰিৱৰ্তনৰ যোগেদি সেই কথা দৃষ্টিগোচৰ হয়।

**আপোনাৰ অগ্ৰগতিৰ বুজ লওক- 2**

1. মূল্যবোধৰ ভিন ভিন ভাগবোৰ ব্যাখ্যা কৰক

..........................................................................................................

..........................................................................................................

..........................................................................................................

2. মূল্যবোধৰ বিকাশত নিয়মানুবৰ্তিতাৰ ভূমিকা ব্যাখ্যা কৰক

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 5.4. শিশুৰ মনত মনোভাৱৰ বিকাশ

### 5.4.1. মনোভাৱৰ অৰ্থ

প্ৰায় প্ৰত্যেকৰে জীৱনত মনোভাবে এক উল্লেখযোগ্য পাৰ্থক্যৰ সৃষ্টি কৰে আৰু আমাৰ কাম আৰু দক্ষতাৰ প্ৰতি থকা আমাৰ মনোভাৱৰ ওপৰতেই কৃতকাৰ্যতা আৰু অকৃতকাৰ্যতা নিৰ্ভৰ কৰে। মনোভাবে কিছুমান নিৰ্দিষ্ট ব্যক্তি, দল নাইবা প্ৰতিষ্ঠানৰ লগত ব্যক্তিৰ সমাযোজনাক সূচায়। পৰিৱেশৰ কোনো দিশৰ প্ৰতি এক মনোভাৱ গঠনৰ বাবেই সঁহাৰি জনাবলৈ তৎপৰতা প্ৰদৰ্শন কৰে। এনেদৰে প্ৰস্তুতিৰ বেলিকা মনোভাৱে এক ফলাফল দেখুৱায় নাইবা একোটা বিশেষ পৰিস্থিতিত বিশেষ আচৰণৰ প্ৰতি সঁহাৰি জনাবলৈ প্ৰস্তুত থাকে। Freeman এ ইয়াক এনেদৰে বৰ্ণনা কৰিছে dispositional readiness to respond to certain situations, persons, objects or ideas in a consistent manner, which has been learn and has become one's typical mode of response.'



টোকা

মনোভাৱ নিৰীক্ষণৰ কৰিব পৰা  ধৰণৰ নহয় ঃ প্ৰকাশ্য আচৰণৰ দ্বাৰা ই যুক্তিৰে সিদ্ধান্তত উপনীত হয়।

## 5.4.2. মনোভাৱৰ উপাদানসমূহ ঃ

আচৰণৰ যোগেদি ইয়াৰ প্ৰতিপলিত হয়। আচৰণৰ তিনিটা ভাগ বা উপাদান আছে, সেইটো বোধ অৰ্জন কৰা প্ৰক্ৰিয়া নাইবা, জ্ঞান আৰু বিশ্বাস গঠনৰ উপাদান। (১) যুক্তিপূৰ্ণ আৰু যুক্তিসংহত জ্ঞানৰ ওপৰতেই আমাৰ ধাৰণা নিৰ্ভৰ কৰে। (২) মনোভাৱৰ দ্বিতীয় উপাদান হৈছে অনুভৱ। কোনো এজনৰ অনুভৱ আৰু আৱেগৰ বাবেই সদায় মনোভাৱ উদিত হয়। কোনোবা মানুহক ভালপোৱা আৰু কোনোবা মানুহক ঘিন কৰাৰ দৰে আৱেগবোৰ আমাৰ অনুভৱৰ ওপৰত নিৰ্ভৰশীল। ঐক্য আৰু সংহত অনুভবে সদৰ্থক আৰু পৃথক আৰু অসংহত অনুভৱক নেতিবাচক বোলা হয়। জ্ঞান আৰু অনুভবে মানুহক কৰ্মৰ প্ৰতি অনুপ্ৰাণিত কৰে। (৩) আচৰণ বা কৰ্ম হৈছে মনোভাবৰ তৃতীয় ভাগ বা উপাদান। ই যুক্তিৰে নিজৰ অনুভৱক বিচাৰ কৰি চাবলৈ আৰু অইনক বুজিবলৈ সক্ষম কৰে।

## 5.4.3. শিশুৰ মনোভাৱৰ বিকাশ

শিশুৰ মনোভাৱ প্ৰথমতে বিকাশ হয় ঘৰত, তাৰ পিছত বিদ্যালয়ত আৰু সমনীয়াৰ লগত য'ত তেওঁলোকে সদায় থাকে। সমাজৰ লগত হোৱা ভাব বিনিময়ৰ পৰাই ব্যক্তিগত অভিজ্ঞতা লাভ হয় আৰু মনোভাবৰ বিকাশত সহায় হয়। শিশু এটি বাঢ়ি অহাৰ লগে লগে আত্মতুষ্টি আৰু তথ্য জনাৰ বাবে এক্ৰপ'জাৰ প্ৰয়োজন হয় যেনে, ব্যক্তি নাইবা পৰিস্থিতিৰ বিষয়ে জ্ঞান আহৰণ, যাৰ ওপৰত ভিত্তি কৰি অনুকূল বা প্ৰতিকূল মনোভাৱ গঠন হয়। সীমিত জ্ঞানৰ ওপৰত ভিত্তি কৰি গঢ় লোৱা মনোভাৱ বিষয়টোৰ বিষয়ে জ্ঞান বঢ়াৰ লগে লগে সলনি হ'বলৈ ধৰে। এই সকলোবোৰ দলৰ সংখ্যাৰ লগত সাঙোৰ খাই থাকে। পৰিয়াল, সমনীয়া, ধৰ্মীয় গোট, নৃ-গোষ্ঠীয় গোট, সাংস্কৃতিক আৰু শ্ৰেণী গোট আদি বিভিন্ন গোটৰ লগতো শিশুসকল সাঙোৰ খাই থাকে। শিশুৰ ওপৰত প্ৰাথমিক গোট হিচাপে পৰিয়াল, বন্ধুবৰ্গ আৰু বিদ্যালয়ৰ সমনীয়াসকলৰ প্ৰভাৱ পেলাব পৰা ক্ষমতা আছে। এইটো এইবাবেই সংঘটিত হয় যে প্ৰাথমিক গোটসমূহে তথ্যৰ কিছুমান উৎসৰ বিষয়ে শিশুক অৱগত কৰোৱায় আৰু গোটৰ সদস্যসকলক গোটৰ মানৰ লগত খাপ খাই চলিবৰ বাবে হেঁচা দিয়ে। ফলত মানুহ আৰু বস্তুৰ বিষয়ে সদস্যসকলৰ মাজত এক সাৰ্বজনীন মনোভাবৰ বিকাশ হয়। এনেদৰে এই ধাৰণাবোৰ গঢ় লয় আৰু তেওঁলোক স্থিৰ হয় লগতে যিকোনো পৰিৱৰ্তনৰ লগত নিজকে খাপ খুৱাই পৰিৱৰ্তন প্ৰতিহত কৰিব পৰা হয়।

## 5.4.4. শিশুৰ ভাল মনোভাৱ বিকাশত শিক্ষকৰ ভূমিকা

শিক্ষকৰ দ্বাৰা কৰোৱা ফলপ্ৰসূ মনোভাৱ আৰু কৰ্মই তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ ওপৰত এক ইতিবাচক পাৰ্থক্য আনিব পাৰে। পূৰ্বৰ শৈক্ষিক


টোকা

অভিজ্ঞতা পৰীক্ষণ কৰি শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লগত কৰা উচিত আৰু কি কৰা অনুচিত সেই বিষয়ে আলোচনা কৰিব পাৰে। সততে আলোচনা আৰু কাৰ্যকৰী কৰা ধাৰণাৰ পাঁচোটা দিশ হৈছে — শিক্ষকৰ সাধাৰণ যত্ন আৰু দয়ামমতা, শ্ৰেণীকোঠাৰ সৈতে জড়িত দায়বদ্ধতাক বিনিময় কৰাৰ প্ৰতি ইচ্ছা, ছাত্ৰ-ছাত্ৰীৰ অনৈক্যৰ প্ৰতি (বিভিন্ন ধৰ্ম, জাতি, সম্প্ৰদায়) অকৃত্ৰিম সচেতনতা, সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে এটা অৰ্থপূৰ্ণ শিকন অভিজ্ঞতা লাভৰ বাবে অভিৰোচন আৰু ছাত্ৰ-ছাত্ৰীক সৃষ্টিমূলক কৰ্মৰ প্ৰতি উদ্দীপিত কৰা।

উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহত শিক্ষক শিক্ষাৰ প্ৰগেমসমূহত শিক্ষকক প্ৰস্তুত কৰাৰ দায়িত্বৰ বিষয়েও ধৰা হৈছে। যি কি নহওক, নিম্ন স্নাতক ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোক ইতিমধ্যে শিকি অহা পাঠ্যক্ৰমক শিকাবৰ বাবে শিক্ষক হিচাপে নিয়োজিত কৰা হয় আৰু বহু শিক্ষক এনেকৈ বৰ্তি থাকে। এইসকল ছাত্ৰ-ছাত্ৰীয়ে শৈক্ষিক সুযোগৰ প্ৰাচুৰ্য আহৰণ কৰি আহিছে; তেওঁলোকে মনোভাৱ আৰু কাৰ্যৰ চিনাক্তকৰণত বিশ্বাসযোগ্য সম্পদ হিচাবে সেৱা আগবঢ়াইছে যিটো তেওঁলোকৰ ফলপ্ৰসূ শিক্ষকসকলে আগতে আগতে শ্ৰেণীকোঠাত ৰূপায়ণ কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনত এক অবিস্মৰণীয় চাপ বহুৱাৰ সুযোগ শিক্ষকৰ আছে। বিদ্যালয়ৰ অভিজ্ঞতাই শিক্ষকৰ এটা নক্সা প্ৰস্তুত কৰে যাৰ দ্বাৰা বিদ্যালয়ৰ ভিতৰে বাহিৰে শিশুসকলে তেওঁলোকক কেনেকৈ গ্ৰহণ কৰে তাৰ ওপৰত এটা প্ৰভাৱ পেলাব পাৰে। বিদ্যালয়ৰ এই স্মৃতি ছাত্ৰ-ছাত্ৰীৰ মনত জীৱনজোৰাকৈ থাকি যোৱাৰ সম্ভাৱনা থাকে আৰু বৰ্তমান আৰু ভৱিষ্যতৰ সিদ্ধান্তৰ ক্ষেত্ৰত ফলপ্ৰসূ ভূমিকা পালন কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলক এই পাৰ্থক্যটো বুজিবলৈ সময় নালাগে যে শিক্ষকে এটা দীঘলীয়া আমনিদায়ক সময় পাৰ কৰিলে নে এটা উত্তেজনাপূৰ্ণ প্ৰত্যাহ্বানজনিত বছৰ পাৰ কৰিলে। শিক্ষকসকলৰ জৰিয়তে গঢ় লোৱা ফলপ্ৰসূ মনোভাৱ আৰু কৰ্মই তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীৰ জীৱনত ইতিবাচক পাৰ্থক্যৰ সৃষ্টি কৰিব পাৰে। পূৰ্বৰ শৈক্ষিক অভিজ্ঞতাক পৰীক্ষা কৰি শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাত কি কৰা উচিত আৰু কি কৰা অনুচিত সেই বিষয়ে আলোচনা কৰিব পাৰে।

## 5.4.5. শিক্ষকৰ পাঁচটা ফলপ্ৰসূ মনোভাৱ

**প্ৰথম মনোভাৱ ঃ** আদৰ যত্ন আৰু দয়াৰ প্ৰদৰ্শন কৰা

শিক্ষকসকলৰ ব্যক্তিত্বৰ ওপৰত ভিত্তি কৰি ইয়াক কৰা হয়। এজন ভাল শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সৈতে প্ৰেৰণাদায়ক মৰমস্নেহ, ধৈৰ্য, দুখবোধ আৰু প্ৰতিকূলতা আদি আবেগ আৰু অনুভৱৰ ভাৱ বিনিময় কৰিবলৈ প্ৰস্তুত থাকে। ইয়াৰোপৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত আগ্ৰহৰ বিষয়েও বিনিময় কৰিবলৈ তেনে শিক্ষকে ইচ্ছা কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীৰ যত্ন লয়। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত যোগাযোগ সুস্পষ্ট হৈ থাকে।

**দ্বিতীয় মনোভাৱ ঃ দায়িত্ববোধৰ বিনিময়**

এজন শিক্ষক অনমনীয় হোৱা উচিত নহয়। দায়িত্ববোধৰ বাবে শিক্ষকে সুন্দৰ সুযোগ প্ৰদান কৰাৰ দৰে শিক্ষকে সমান স্বাধীনতাৰ সুযোগ প্ৰদান কৰা উচিত। শিক্ষকে



টোকা

কেৱল নিয়মৰ মাজেদিয়ে চলাতো উচিত নহয়। নমনীয়তা আৰু দায়িত্ববোধৰ বিনিময়েৰে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত এক নিবিড় সম্পৰ্ক ৰক্ষা কৰি কাম কৰিবৰ বাবে এটা সুন্দৰ ইতিবাচক পৰিৱেশ গঢ়ি তোলা উচিত।

**তৃতীয় মনোভাৱ ঃ অনৈক্যৰ সংবেদনশীলতাৰে গ্ৰহণ কৰা**

শিক্ষকে সহমৰ্মিতা আৰু ছাত্ৰ-ছাত্ৰীক বুজি পোৱাৰ গুৰুত্ব অনুশীলন কৰা উচিত। বিভিন্ন সম্প্ৰদায়, পৰিৱেশ, প্ৰেক্ষাপটৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ লগত শিক্ষকে যেতিয়া ভাব আদান প্ৰদান কৰে তেতিয়া শিক্ষকে সংবেদনতা, গ্ৰহণযোগ্যতা আৰু উৎসাহ উদ্দীপনাক সাৱধানেৰে চিনাক্ত কৰা উচিত। ভাল শিক্ষকে ছাত্ৰ-ছাত্ৰীক মন্তব্য কৰা, বিশ্লেষণ কৰা আৰু তেওঁলোক যেনে আছে তেনেদৰেই বুজি পোৱা আদি কথাৰ পৰা নিজকে বিৰত ৰাখে বুলি শিক্ষকে ধাৰণা লোৱা উচিত নহয়। প্ৰকৃততে শিক্ষকে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা ভাল ছাত্ৰ-ছাত্ৰীক উলিয়াই আনিব লাগে আৰু শ্ৰেণীকোঠাত সকলোৰে সন্মুখত তেওঁক প্ৰশংসা কৰা উচিত। এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ প্ৰত্যেকৰে লগত কথা পতা আৰু শুনা সময়ৰ ৰেকৰ্ড ৰাখিব পাৰে যিয়ে তেওঁলোকক মূল্য আৰু গুৰুত্বৰ অনুভৱ কৰাব।

**চতুৰ্থ মনোভাৱ ঃ ব্যক্তি বিশেষৰ নিৰ্দেশনাক উৎসাহিত কৰা**

অৰ্থপূৰ্ণ হোৱাকৈ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষকে সুযোগ প্ৰদান কৰিব লাগে। শিক্ষকসকলে নিজৰ ছাত্ৰাৱস্থাক মনত পেলোৱা উচিত যিয়ে তেওঁলোকক এই বৃত্তিত কৃতকাৰ্য হোৱাত সহায় কৰিব লগতে তেওঁলোকৰ ভাল ফলাফলৰ বাবে শিক্ষকসকলে প্ৰশংসা কৰাৰ পদ্ধতিও বৰ্তমান কামত লগাব পাৰিব। তেওঁলোকে শিক্ষকসকলৰ এনে মনোভাবো মনত পেলোৱা উচিত যিটো তেওঁলোকক অনুশীলন কৰিবলৈ দিয়া নাছিল আৰু তেনে মনোভাৱ গঠনৰ পৰা দূৰত ৰাখিছিল। ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ্যক ব্যৱহাৰ কৰি আৰু তেওঁলোকৰ দুৰ্বলতা বা অসামৰ্থ্যতাক উপেক্ষা কৰি কাম কৰি যোৱাটোও শিক্ষকৰ বাবে খুউব গুৰুত্বপূৰ্ণ কথা। ইতিবাচক আত্ম দৃঢ়তা আৰু আত্ম গৌৰৱৰে উৎসাহিত হ'বৰ বাবে বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলে বাকী শিক্ষকসকলক উৎসাহিত কৰা উচিত।

**পঞ্চম মনোভাৱ ঃ সৃষ্টিশীলতাক উৎসাহিত কৰা**

ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীলতাক উদ্দীপিত কৰাত গুৰুত্ব দিয়াটোত এই মনোভাৱে হেঁচা দিয়ে। পাঠ আৰু ক্ৰিয়াকলাপৰ বাবে দিয়া ধাৰণা আৰু পৰামৰ্শসমূহ শিক্ষকে শুনিব লাগে। ফলপ্ৰসূ শিক্ষক ছাত্ৰ-ছাত্ৰীক কল্পনাপ্ৰৱণ কৰিবৰ বাবে মুকলি হৈ থাকে আৰু ছাত্ৰ-ছাত্ৰীৰ সেই চিন্তা বা কল্পনাৰ বহুখিনি শিকনত কামত লগায়। ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ, দক্ষতা আৰু প্ৰয়োজনক বিবেচনা কৰি যেতিয়া শিক্ষকে পাঠসমূহৰ চানেকি কৰে তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে পাঠ উপলব্ধি কৰে আৰু ব্যক্তিগতভাৱে অভিৰোচিত হয়। শিকন অনিষ্ট কৰা উপাদানসমূহে গ্ৰেড পোৱাৰ ওপৰত অধিক জোৰ দিয়া নতুবা প্ৰশ্নৰ শুদ্ধ উত্তৰ কৰাটোৰ ওপৰত জোৰ দিয়া কথাটোও সামৰি লয়। সেইবাবে ছাত্ৰ-ছাত্ৰীসকল শুদ্ধ উত্তৰ বাছি উলিওৱাটোতেই অধিক ব্যতিব্যস্ত হয় নতুবা শিক্ষকেনো কি শুনিব বিচাৰে সেই



টোকা

বিষয়ে শিক্ষকৰ মন বুজিবৰ বাবে যত্ন কৰাতে ব্যস্ত থাকে। সৃজনীশীলতাৰ বাবে তেনেই কম সুযোগ পোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকল শিকন প্ৰক্ৰিয়াৰ প্ৰতি অমনোযোগী হৈ পৰে। প্ৰতিযোগিতাই এক বোজাৰ সৃষ্টি কৰি শিকনত হস্তক্ষেপ কৰে, আৰু ছাত্ৰ-ছাত্ৰীয়ে কেৱল ‘গ্ৰেড’ আৰু তেওঁলোকৰ শিক্ষকৰ পৰা প্ৰশংসা পাবৰ বাবেহে চেষ্টা কৰে। তেওঁলোকৰ কিছুমান শিক্ষকে বাহ্যিক অভিৰোচক ব্যৱহাৰ কৰে নাইবা প্ৰতীক পুৰস্কাৰ ব্যৱহাৰ কৰে আৰু এই পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীৰ শিকনৰ প্ৰয়োজনীয়তা সীমাবদ্ধ কৰে আৰু কৃতকাৰ্যতাৰ স্তৰ নিম্নগামী কৰে। বহুতো শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মাজত আভ্যন্তৰীণ অভিৰোচনৰ সৃষ্টি কৰিবৰ বাবে শ্ৰেণীকোঠাত এটা আনন্দময় পৰিৱেশ ৰচনাক বেছি ফলপ্ৰসূ পদ্ধতি হিচাপে অনুভৱ কৰে। শিক্ষণক এক গভীৰ মনোবৈজ্ঞানিক প্ৰক্ৰিয়া হিচাপে অধ্যয়নে বৰ্ণনা কৰিছে আৰু শ্ৰেণীকোঠাৰ পৰিৱেশ ফলপ্ৰসূ হিচাপে বজাই ৰখা, ছাত্ৰ-ছাত্ৰীক অভিৰুচিত কৰা তথা সিদ্ধান্ত গ্ৰহণৰ দক্ষতা নিৰ্ভৰ কৰে শিক্ষকৰ ব্যক্তিগত গুণাগুণ আৰু তেওঁ ছাত্ৰ-ছাত্ৰীৰ সৈতে ব্যক্তিগত সম্পৰ্ক ৰক্ষা কৰিব পৰা দক্ষতাৰ ওপৰত বুলি বিশ্বাস কৰে। শিক্ষকৰ দ্বাৰা নিৰ্ধাৰণ কৰা এনেবোৰ ফলপ্ৰসূ মনোভাৱ আৰু ক্ৰিয়াকলাপে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীৰ জীৱনত এক ইতিবাচক পাৰ্থক্যৰ সূচনা কৰিব পাৰে। এইটো সৰ্বজনবিদিত যে শিক্ষকৰ অনুশীলন আৰু আচৰণৰ ওপৰত মনোভাৱৰ গভীৰ প্ৰভাৱ আছে। আচৰণ আৰু বিশ্বাস হ’ল কিছুমান ভাৱৰ উপাদান যিয়ে মানুহৰ মনৰ অৱস্থাৰ গঠন আৰু অন্তৰ্বস্তুক সূচায়। এইবোৰ মানুহৰ কৰ্মৰ পৰাই নিৰ্ধাৰণ কৰিব পাৰি। অৰ্থাৎ কোনো মানুহৰ কৰ্মই হ’ল তেওঁৰ মনৰ অনুশীলন নৰ বহিঃপ্ৰকাশ। ফলদায়ক মনোভাৱৰ জৰিয়তে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে পৰস্পৰে পৰস্পৰৰ প্ৰতি সন্মান আৰু বিশ্বাসৰ সম্পৰ্ক বিকশাই তুলিব পাৰে।

## 5.5. সংবোধনৰ গুৰুত্ব আৰু শিশুৰ মনত ইয়াৰ বিকাশ

‘ইন্দ্ৰিয়ৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশৰ বিষয়ে জানিব পৰাৰ প্ৰক্ৰিয়াটোকে সংবোধন শব্দটোৰ দ্বাৰা প্ৰকাশ কৰা হয়। আমাৰ চাৰিওফালে থকা পৰিৱেশৰ বস্তুবোৰৰ পৰা উদ্দীপনাৰ সৃষ্টি হয় কিন্তু উদ্দীপনা কোনো বস্তু নহয়। উদ্দীপনা আৰু বস্তু দুয়োটা সম্পূৰ্ণ পৃথক। উদাহৰণস্বৰূপে যেতিয়া আপুনি সমতলত এখন নদী দেখে তেতিয়া সাধাৰণতে কি হয় যে নদীখন ওপৰৰ পৰা বৈ অহা আপোনাৰ চকুত নপৰে কিন্তু নদীৰ পৃষ্ঠভাগত হোৱা পোহৰৰ প্ৰতিফলনে আপোনাৰ চকুত আঘাত কৰে। সেই পোহৰে তিৰবিৰণি তোলে আৰু নদীপৃষ্ঠত সমীৰণৰ দ্বাৰা এক গুৰু গুৰু ধ্বনিৰ সৃষ্টি হয়। আপুনি মৃদুভাৱে শুনা কলধ্বনি ক্ৰমে ডাঙৰৰ পৰা ডাঙৰ হৈ আহে আৰু ইয়ে আপোনাক এখন এয়াৰোপ্লেনৰ কাষ চপাই নিয়ে। এতিয়া এয়াৰোপ্লেনখন এক গুৰু গুৰু ধ্বনিতকৈ অধিক একো নহয় নাইবা নদীখন হৈছে পোহৰৰ এটা উজ্জ্বল বিন্দু।

নিৰীক্ষকজনে গ্ৰহণ কৰা উদ্দীপনাৰ দ্বাৰা নিৰীক্ষণীয় বস্তুটোৰ কিবা প্ৰকাৰে সূচনা হয়, কিন্তু সেইবোৰ উদ্দীপকৰ পৰা যথেষ্ট পৃথক।

এনেদৰে থূপ খোৱা তথ্যসমূহৰ অৰ্থ আমি ব্যাখ্যা কৰো আৰু সংবেদনৰ দ্বাৰা এই


টোকা

প্ৰক্ৰিয়া আৰম্ভ হয়। ইয়াক এনেদৰে ব্যাখ্যা কৰা হৈছে যে এজন ব্যক্তিয়ে উদ্দীপকৰ উপস্থিতিৰ চেতনা লাভ কৰে আৰু ইনো কি সেয়াও গম পায়। আমাৰ চাৰিওফালৰ পৃথিৱীখনৰ বিষয়ে এয়াই হৈছে আমাৰ সংবোধন যিয়ে আমাক বিভিন্ন ধৰণেৰে সঁহাৰি জনোৱাত নেতৃত্ব দিয়ে। শিশু আৰু প্ৰাপ্তবয়স্ক উভয়ৰ আচৰণৰ ক্ষেত্ৰত সংবোধন হৈছে এটা মূল উপাদান।

## 5.5.1. শিশুৰ সংবোধনৰ বিকাশ

উপলব্ধি কৰিব পৰা দক্ষতা অবিহনে বাঢ়ি অহা শিশুৰ ক্ষেত্ৰত তেওঁলোক কোন আৰু কেনেকৈ পৃথিৱীখনত তেওঁলোকে নিজকে খাপ খুৱাই ল'ব সেই বিষয়ে প্ৰকৃত অনুভৱ কৰিব পৰাতো অসম্ভৱ কথা। সংবোধনৰ বিকাশৰ লগত সংগতি থকা এটা উদাহৰণ হ'ল বক্ৰ চাৱনিৰ লগত সংগতি থকা এটা বিপদযুক্ত সময়- তিন বছৰ বয়স। এইটো চিনাক্ত কৰা হৈছে যে এটি শিশুৰ তিনি বছৰ বয়স হোৱাৰ আগতেই যদি শিশুৰ বেঁকাকৈ চোৱাতো ঠিক কৰা যায় তেন্তে তেওঁৰ দৃষ্টিৰ বিকাশ ভাল হ'ব। যদি শিশুটোৱে তিনি বছৰ অতিক্ৰম কৰে তেন্তে তেওঁৰ দূৰবীণ দৃষ্টি কেতিয়াও বিকাশ নহয়।

## 5.5.2. এটি বিকাশশীল শিশুৰ সংবোধনৰ গুৰুত্ব

সংবোধনক শিশুৰ বিকাশৰ লগত জড়িত হৈ থকা এটা বিশাল পৰিসৰৰ গুৰুত্বপূৰ্ণ উপাদান বুলি চিনাক্ত কৰা হৈছে। তাৰোপৰি যথা সময়ত যথা স্থানত উপনীত হোৱা আৰু প্ৰয়োজনীয় বস্তু বুটলি ল'বলৈ সক্ষম হ'বলৈ জনাতো শিশুৰ বাবে প্ৰয়োজন। বিকাশশীল শিশুৰ বাবে সংবোধন কিয় গুৰুত্বপূৰ্ণ সেই বিষয়ে আৰু কাৰণ দিয়া হৈছে আৰু ই তলত দিয়াসমূহ সামৰি লৈছে -

- ➢ সামাজিকীকৰণ
- ➢ জ্ঞানৰ আহৰণ
- ➢ ভাষা আহৰণ
- ➢ আবেগিক প্ৰতিক্ৰিয়া
- ➢ স্মৃতি
- ➢ আত্ম-সংৰক্ষণ
- ➢ হাত-চকুৰ সমন্বয়
- ➢ আত্ম সচেতনতাৰ বোধ

## 5.5.3. জ্ঞান, স্মৃতি আৰু সংবোধন বা বোধ-ক্ষমতা

বোধ ক্ষমতাৰ বিকাশ অবিহনে এটি শিশুৱে নতুন জ্ঞান আহৰণ তথা আগতে শিকা কথা মনত পেলাব পাৰে। ইয়াৰ কাৰণ হ'ল জ্ঞান সংৰক্ষণ কৰাত এটি শিশু সক্ষম হ'বৰ বাবে বোধ ক্ষমতাক প্ৰয়োজনীয় বুলি চিনাক্ত কৰা হয়। সেয়েহে, বিকাশৰ সৰ্বোৎকৃষ্টতাত উপনীত হোৱাৰ বাবে বোধ ক্ষমতাৰ বিকাশ হৈছে বিকাশশীল শিশুৰ বাবে অতি

টোকা

গুৰুত্বপূৰ্ণ আৰু শিক্ষাৰ দ্বাৰাই এই ক্ষেত্ৰত কৃতকাৰ্য হ'ব পাৰি। বন্ধুত্ব কথাটোৱে অন্য এজন ব্যক্তিক সন্মান জনাব পৰা সম্পৰ্কবোৰ স্থাপন কৰা আৰু ইয়াক বজাই ৰাখিব পৰা দক্ষতা আহৰণকে সূচায়।

ওপৰৰ কথাখিনিত আলোকপাত কৰিলে দেখা যায় যে বিকাশশীল শিশুৰ হাত-চকুৰ সমন্বয়ত বোধ ক্ষমতাৰ বিকাশ প্ৰকৃততেই কঠিন লগতে। এটি শিশুক সামাজিক কৰা আৰু ভাষা আৰু জ্ঞান উভয়তে সক্ষম কৰি তোলাও এক কঠিন কাম। শিশুৱে কেনেকৈ বিভিন্ন পৰিস্থিতি আৰু সংবেদনক সঁহাৰি জনায় তাৰ দ্বাৰা সংবোধন প্ৰভাৱিত আৰু ই স্মৃতি আৰু আত্ম সচেতনতাৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ।

## 5.5.4. সংবোধন বা বোধক্ষমতাৰ বিকাশত খেলৰ গুৰুত্ব

কণ কণ শিশুৰ বোধ ক্ষমতাৰ বিকাশৰ ক্ষেত্ৰত এটা অতি গুৰুত্বপূৰ্ণ বিষয় হৈছে খেলৰ বাবে পৰিসৰ। খেলৰ বিষয়ে কৰা এটা বিস্তৃত সাংস্কৃতিক অধ্যয়নত এটা কথা স্পষ্ট হৈ পৰিছে যে খেল ধেমালিয়ে শিশুৰ বিকাশ আৰু শিকন ক্ষমতা বঢ়ায়। সামাজিক সাংস্কৃতিক নিয়মৰ দ্বাৰা নিৰ্ধাৰিত পিতৃ-মাতৃৰ বোধক্ষমতাৰ পৰাই খেলৰ গুৰুত্ব উপলব্ধি কৰিব পাৰি। যেনে শিশুৰ লগত খেলিলে শিশুৱে উৎসাহ অনুভৱ কৰে নে অনাদৰ অনুভৱ কৰে। আচৰিত ধৰণে পিতৃ-মাতৃয়ে ইয়াক নিৰুৎসাহিত কৰে আৰু সন্মতি প্ৰদান নকৰে। খেল হৈছে এটা ধেমালি আৰু কণ কণ শিশুসকলৰ ক্ষেত্ৰত ই স্বতঃস্ফূৰ্তভাবেই হয়। শৈশৱকালত শিক্ষাৰ লগত খেলাধূলাও সমানে হোৱা উচিত যদিও শিশুৰ বাবে কোনটো অতি প্ৰয়োজনীয় সেই বিষয়টো এক বিতৰ্কিত বিষয়।

খেলক লৈ বিকাশ মতবাদ আৰু গৱেষণাৰ এক দীঘলীয়া ইতিহাস আছে। মনোবিশ্লেষকসকলে খেলক শিশুৰ আবেগিক সমস্যা সমাধানৰ সহায়ক হিচাপে ব্যৱহাৰ কৰে। (অৰ্থাৎ খেল থেৰাপী)।

Jean Piaget-এ খেল আৰু মেধাশক্তি বৃদ্ধিৰ মাজত থকা সম্পৰ্কৰ কথা প্ৰতিষ্ঠা কৰি থৈ গৈছে। তেওঁ বিশ্বাস কৰিছিল যে খেলে শিকনৰ এক বাহন হিচাপে কাম কৰে। Lev Vygotsky নামৰ মনোবিজ্ঞানীজনৰ মতে শিশুৰ বাবে খেল হৈছে বিকাশ আৰু শিকনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উৎস। খেলি থকাৰ সময়ত বিকাশ সংঘটিত হয় বুলি তেওঁ বিশ্বাস কৰে কাৰণ, খেলে বিকাশৰ নিকটতম এক এলেকা গঢ়ি তোলে। Vygotsky's ৰ মতবাদ মতে শিশুৰ নিজতকৈ আগবঢ়া (advanced) লগৰীয়া যেনে কোনো প্ৰাপ্তবয়স্ক, পিতৃ-মাতৃ বা ডাঙৰ ল'ৰা-ছোৱালীৰ লগত খেলিলে শিশুৰ বুদ্ধিমত্তা বাঢ়ে আৰু উচ্চস্তৰীয় খেলত অংশগ্ৰহণ কৰিবৰ বাবে দৃঢ়তা বাঢ়ে। Vygotsky ৰ মতে ভাষা, স্মৃতি, যুক্তি, উচ্চস্তৰীয় চিন্তা আৰু সামাজিক বিকাশৰ বাবে খেল অত্যন্ত লাভজনক।

শিশুৰ বিকাশৰ বাবে খেলৰ গুৰুত্ব অপৰিসীম আৰু প্ৰচুৰ। আমি জানো যে শিশুৰ মগজুৰ বিকাশৰ লগত শিশুৰ বিকাশ আৰু শিকনৰ সকলো ক্ষেত্ৰই সাঙোৰ খাই থাকে।


টোকা

শৈশৱত মগজুৰ বিকাশ আৰু খেলৰ মাজত এক উল্লেখযোগ্য সংযোগ পোৱা গৈছে। উচ্চ পৰ্যায়ৰ খেলে তাৎক্ষণিকভাৱে উল্লেখযোগ্য কমিটী আৰু শিশু আৰু পৰিয়াল স্বাস্থ্য দিশৰ মনোবৈজ্ঞানিক কমিটীয়ে কৈছে যে শিশুৱে খেলৰ জৰিয়তে নিজৰ পৃথিৱীখন পুনৰ নিৰ্মাণ কৰিব পাৰে। তেওঁলোকে ন-দি কয় যে খেলে শিশুক নতুন অৰ্হতাৰ বিকাশ ঘটায় যাতে ইয়ে তেওঁলোকৰ ভৱিষ্যত প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পৰাকৈ প্ৰয়োজন হোৱা দৃঢ়তা বঢ়াব পাৰে। তেওঁলোকে আৰু কৈছে যে খেলৰ জৰিয়তে বিশেষকৈ মুক্ত খেল বা অপৰিচালিত খেলৰ জৰিয়তে শিশুৱে সামাজিকীকৰণৰ কৌশল (যেনে, দলীয় কাৰ্য, বিনিময়, বুজাবুজি, সংঘাত প্ৰশমন, আত্ম পৰিচালনা) অনুশীলনৰ সুযোগ লাভ কৰে। তেওঁলোকৰ মতে, খেল যদি শিশু প্ৰাণশক্তি হয় তেন্তে অন্যান্য জীৱন ধাৰণৰ কৌশল বা দক্ষতাসমূহৰ বিকাশ হ'ব আৰু তেওঁলোকৰ ভৱিষ্যতৰ বাবে প্ৰয়োজন হ'ব (যেনে ঃ সিদ্ধান্ত গ্ৰহণ, নিজৰ গতি বেগ সম্পৰ্কে জনা, কোনো এজনৰ আগ্ৰহৰ বিষয়ে জনা ইত্যাদি) খেল আৰু বহুতো দক্ষতাৰ বুনিয়াদ তথা বোধ অৰ্জন কৰা জটিল প্ৰক্ৰিয়াৰ ক্ৰিয়া-কলাপসমূহৰ মাজত এটা যোগসূত্ৰ আছে যিটো আগতীয়া শৈশৱকালৰ বিকাশ আৰু শিকনৰ বাবে উল্লেখযোগ্য। তেওঁলোকে এইটোও কৈছে যে এই দক্ষতাসমূহে শিশুৰ বাবে এটা সুস্থ বুনিয়াদ গঢ়ি তোলে আৰু বিদ্যালয় বা বিদ্যালয়ৰ বাহিৰতো ফলপ্ৰসূভাৱে শিকন কাৰ্য কৰাত তেওঁলোকক সহায় কৰে। সেইবাবে, খেল হৈছে শিশুৰ বিকাশ আৰু বিদ্যায়তনিক কৃতকাৰ্যতাৰ বাবে প্ৰয়োজনীয়।

পিতৃ-মাতৃৰ লগত হোৱা বিনিময়ৰ জৰিয়তে শিশুৰ বিকাশ আৰু খেলৰ জৰিয়তে শিশুৰ সম্পৰ্ক গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। লগতে ৰাষ্ট্ৰসমূহে তেওঁলোকৰ Early Childhood Development (ECD) নীতিত খেলক অনুমোদন জনাইছে। এটা সঠিক নীতি বিধিবদ্ধ কৰিবৰ বাবে সংস্কৃতিৰ লগত জড়িত গৱেষণাৰ ওপৰত প্ৰতিষ্ঠিত প্ৰমাণৰ প্ৰয়োজন আৰু এই বিষয়টোৰ বাবে সজাগতা বৃদ্ধিৰ আঁচনি প্ৰস্তুত কৰিবলৈকো গৱেষণালব্ধ প্ৰমাণৰ প্ৰয়োজন।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওক - 3**

1. বাঢ়ি অহা শিশুৰ বাবে সংবোধনৰ গুৰুত্ব কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

2. সংবোধন বা বোধ ক্ষমতা বিকাশৰ বাবে খেল কেনেকৈ গুৰুত্বপূৰ্ণ ব্যাখ্যা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

টোকা

## 5.6 অভিৰোচন

সৰু ল'ৰা-ছোৱালীবোৰে নিজে কৰা সকলো কামৰ পৰাই শিকে। তেওঁলোক স্বাভাৱিকতে উৎসুক; তেওঁলোকে উদ্‌ঘাটন আৰু আৱিষ্কাৰ কৰিব বিচাৰে। যদি তেওঁলোকৰ অনুসন্ধান বা উদঘাটনত কৃতকাৰ্য হয় বা তেওঁলোকে এই কামত আনন্দ অনুভৱ কৰে তেন্তে তেওঁলোকে আৰু শিকিব বিচাৰিব। শৈশৱৰ এই বছৰকেইটাতে শিকনৰ প্ৰতি শিশুৰ মনোভাৱে গঢ় লয় আৰু ইয়ে জীৱনৰ শেষলৈকে চলে। এই বছৰকেইটাত যিসকল শিশুৱে সমৰ্থন আৰু অনুপ্ৰেৰণা লাভ কৰে, তেওঁলোক সৃষ্টিশীল হ'ব আৰু জীৱনকালত তেওঁলোক সদায় দুঃসাহসিক শিকাৰু হয়। যিসকল শিশুৱে এনেদৰে সমৰ্থন বা অনুপ্ৰেৰণা লাভ নকৰে সেইসকল শিশুৰ শিকনৰ প্ৰতি জীৱনৰ শেষলৈকে বেলেগ মনোভাৱে গঢ় লয়। বাহ্যিক আৰু আভ্যন্তৰীণ দুই ধৰণৰ বহু উপাদানেই শিশুৰ বিকাশক প্ৰভাৱান্বিত কৰে। শিশুক আটাইতকৈ বেছি প্ৰভাৱান্বিত কৰা আভ্যন্তৰীণ উপাদান হৈছে অভিৰোচন। এই অভিৰোচনৰ দুটা ৰূপ থাকিব পাৰে। বাহ্যিক আৰু আভ্যন্তৰীণ। শৈক্ষিক পটভূমিৰ বাবে আভ্যন্তৰীণ অভিৰোচন বেছি ভাল বুলি সকলোৰেই বহলভাৱেই সন্মতি প্ৰকাশ কৰিছে।

### 5.6.1. কণ কণ শিশুৰ অভিৰোচনৰ বৈশিষ্ট্য

শিশুৱে বহুতো কাম সাধাৰণভাৱেই কৰে কাৰণ তেওঁলোকে তেনেকৈ কৰিবলৈ বিচাৰে। এটা পুতলা নিৰ্বাচন কৰা নাইবা পিন্ধিবলৈ এটা কামিজ পছন্দ কৰাতো 'আভ্যন্তৰীণ অভিৰোচন'ৰ ফলাফল। শিশুৱে নিজৰ মতে পছন্দ কৰে আৰু দুয়োটা কাম যেনে পুতলাটোৰ লগত খেলাৰ সুযোগ পোৱা নাইবা কামিজটো পিন্ধাত সন্তুষ্টি পায়। ক্ৰিয়াকলাপ বা কাৰ্যৰ পৰা অভিৰোচনৰ জন্ম হয়, ই প্ৰায়েই আত্মসমৰ্থন বা নিজক বৰ্তাই ৰখাৰ বাবে শিশুৱে ধাৰাবাহিকভাৱে কাম কৰিব বিচাৰে। ডাঙৰে কোৱাৰ বাবেই হওক বা অইনক সন্তুষ্ট কৰিবৰ বাবেও হওক, শিশুৱে অন্যান্য কাৰ্য বা ক্ৰিয়াকলাপতো নিজক নিয়োজিত কৰে। এই ক্ৰিয়াকলাপ বা কাৰ্যসমূহ হ'ল 'বাহ্যিকভাৱে অভিৰোচিত' যেতিয়া এটি শিশু বাহ্যিকভাৱে অভিৰোচিত হয় তেতিয়া শিশুৰ বাহিৰৰ পৰা কোনোবাজনৰ দ্বাৰা পুৰস্কাৰ দিয়া হয়। শিশুটিক কাৰ্যত দীঘলীয়াকৈ লগাই ৰাখিবৰ বাবে এনেদৰে অভিৰোচিত কৰা হয়। বাহ্যিকভাৱে অভিৰোচিত হৈ কাৰ্যত নিয়োজিত হৈ থকাতো শিশুৰ বাবে অত্যন্ত কঠিন কাৰণ, এইটো বাহিৰৰ কোনো শক্তিৰ ওপৰত নিৰ্ভৰশীল।

আভ্যন্তৰীণভাৱে অভিৰোচিত হৈ কৰা ক্ৰিয়াকলাপে শিশুক বেছিহে পুৰস্কৃত কৰে, এনেধৰণৰ কাম বা ক্ৰিয়াকলাপৰ দ্বাৰা শিশুৱে বেছিকৈ শিকে আৰু এই শিকন বেছি ভাল বুলি মনত ভাব পোষণ কৰে। আভ্যন্তৰীণভাৱে অভিৰোচিত শিশুৱে নিজৰ শিকনত বেছিকৈ জড়িত হয়। আৰু বিকাশ লাভ কৰে। অন্য ভাষাত ক'বলৈ গ'লে এটি শিশু যেতিয়া আভ্যন্তৰীণভাৱে অভিৰোচিত হয় আৰু শিশুটিয়ে নিজেই এনে কাৰ্যত আনন্দ অনুভৱ কৰা বুলি বিশ্বাস কৰে তেতিয়া শিশুটিয়ে বেছি শিকে আৰু বেছি তথ্য



টোকা

সংৰক্ষণ কৰিব পাৰে। শিশুৰ খেল আৰু ক্ৰিয়াকলাপসমূহক সঠিকভাৱে পৰিচালনা কৰি পিতৃ-মাতৃয়ে দৃঢ়তাৰ সৌধ নিৰ্মাণ কৰি দিব পাৰে যেতিয়া শিশুক বিভিন্ন প্ৰকাৰৰ পছন্দৰ সুযোগ দিয়া হয়। শিশুৰ অভিৰোচন, শিকন আৰু বিকাশৰ বাবে এনে অসংগঠিত খেল হৈছে এক প্ৰয়োজনীয় উপাদান।

## 5.6.2. অভিৰোচনৰ বিকাশ

আচৰণজনিত বৈশিষ্ট্যই হৈছে উচ্চ অভিৰোচনৰ সংকেত। এই বৈশিষ্ট্যসমূহ বিকশাই তোলাত সহায় কৰিবৰ বাবে ইয়াত কিছুমান গুৰুত্বপূৰ্ণ উপাদান আৰু পথ দিয়া হৈছে।

দীঘলীয়া সময় ধৰি কোনো এটা কামত নেৰানেপেৰাকৈ লাগি থাকিব পৰাতো এক দক্ষতা। যেতিয়া কণ কণ শিশুৱে এঘণ্টা সময় কোনো এটা কামত মনোনিৱেশ কৰিব নোৱাৰে কিন্তু বেলেগ এটা কামত বেলেগ শিশুৰ লগত একেই সময় তেওঁলোকে নিয়োজিত হৈ থাকিব পাৰিব। উচ্চভাৱে অভিৰোচিত শিশু বহু সময় কামত নিয়োজিত হৈ থাকিব পাৰে য'ত অভিৰোচিত নোহোৱা শিশুৱে কৃতকাৰ্য নোহোৱাৰ লগে লগে তাৎক্ষণিকভাৱে সহজতে কামতো কৰিবলৈ এৰি দিয়ে। প্ৰত্যাহ্বানমূলক এটা কামত যেতিয়া শিশু কৃতকাৰ্য হয় তেতিয়াই তেওঁলোকে নেৰানেপেৰাকৈ কামত লাগি থাকিবলৈ শিকে। কোনো এটা কামত নেৰানেপেৰাকৈ লাগি থকাটোৱে যথেষ্ট প্ৰত্যাহ্বানমূলক।

প্ৰত্যাহ্বান পছন্দ কৰাতো অভিৰোচনৰ অন্য বৈশিষ্ট্য। যিসকল শিশুৱে কৃতকাৰ্যতাৰে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ অভিজ্ঞতা অৰ্জন কৰিছে তেওঁলোক অভিৰোচিত হ'ব আৰু অন্য এজনকো স্বাগতম জনাব। এই অভিৰোচিত শিকাৰুসকলে কোনো এটা ক্ৰিয়াকলাপ পছন্দ কৰিব যিটো তেওঁলোকৰ বাবে সামান্যভাৱে কঠিন, কিন্তু সঠিক প্ৰত্যাহ্বান নিশ্চিত কৰা হয়। তেওঁলোকে যেতিয়া কৃতকাৰ্যতাৰে তেনে এটা কাম সম্পন্ন কৰে ছাত্ৰ-ছাত্ৰীয়ে এক উচ্চস্তৰৰ সন্তুষ্টি অনুভৱ কৰে। অভিৰোচিত নোহোৱা শিশুৱে (যাৰ পূৰ্বতে কৃতকাৰ্য হোৱাৰ অভিজ্ঞতা নাই) অতি সহজ কিবা এটা তুলি ল'ব আৰু তাৎক্ষণিক কৃতকাৰ্যতা নিশ্চিত কৰিব। তেনেদৰে সহজতে লাভ কৰা কৃতকাৰ্যতাই শিশুক এক নিম্ন পৰ্যায়ৰ সন্তুষ্টিহে দিয়ে, কাৰণ তেওঁলোকে জানে যে কামটো তেনেই সামান্যভাৱেহে প্ৰত্যাহ্বানমূলক। শিক্ষকৰ প্ৰত্যাহ্বান হৈছে সঠিক প্ৰত্যাহ্বান বিচাৰি লোৱাত শিশুক সহায় কৰা।

ডাঙৰৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ মুঠ পৰিমাণো অভিৰোচনৰ এক সূচক। আভ্যন্তৰীণভাৱে অভিৰোচিত হোৱা শিশুক কোনো কাৰ্যত ডাঙৰসকলে একেলেঠাৰীয়ে চাই বা সহায় কৰি দিয়াৰ প্ৰয়োজন নাই। যিসকল শিশুৰ অভিৰোচনৰ পৰ্যায় নিম্নমানৰ নাইবা বাহ্যিক কাৰকৰ দ্বাৰা যিসকল অভিৰোচিত হয় তেনে শিশুক ডাঙৰসকলে একেলেঠাৰিয়ে মনোযোগ দিবলগীয়া হয় আৰু এই শিশুসকলে আত্মনিৰ্ভৰশীল হৈ একো কৰিব নোৱাৰে। আত্মনিৰ্ভৰশীলতা হৈছে গুণগত শিকনৰ এক গুৰুত্বপূৰ্ণ দিশ। ডাঙৰৰ



টোকা



ওপৰত নিৰ্ভৰশীল শিশুৰ বিদ্যালয়ত কৃতকাৰ্যতা লাভৰ ক্ষেত্ৰত সীমাবদ্ধতা আহি পৰে। পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানৰ আত্মনিৰ্ভৰশীল অভিৰোচন গঢ়ি তুলিবৰ বাবে পুতলা আদিৰ যোগান ধৰিব পাৰে যিয়ে শিশুক প্ৰকৃতিগত সৃষ্টিশীলতা আৰু উৎসৰকতাৰে খেলাব পাৰে। এইবোৰ হৈছে অতি সাধাৰণ, অতি বুনিয়াদ খেল সামগ্ৰী, ব্লক, প্লাষ্টিকৰ সৰু সৰু মানুহ, পুতলাগাড়ী, মমৰ ৰঙীণ পেঞ্চিল আৰু কাগজ। এই সামগ্ৰীবোৰে শিশুক মনোৰঞ্জনৰ বাবে ডাঙৰৰ ওপৰত নিৰ্ভৰশীল হোৱাতকৈ নিজৰ পৃথিৱীখন আৱিষ্কাৰ কৰাৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰে।

অভিৰোচনৰ পৰ্যায়ৰ শেষ সূচক হৈছে আৱেগ। যিসকল শিশু স্পষ্টভাৱে অভিৰোচিত তেওঁলোকৰ আৱেগে সদৰ্থক ভাৱে কাম কৰিব। তেওঁলোক নিজৰ কামত সন্তুষ্ট হয় আৰু ক্ৰিয়াকলাপত অত্যন্ত আনন্দ প্ৰদৰ্শন কৰে। সঠিক অভিৰোচন অবিহনে শিশুক শান্ত, গোমোঠা আৰু আমনি পোৱা দেখা যায়। তেওঁলোকে ক্ৰিয়া-কলাপৰ বাবে মুঠেও আনন্দ অনুভৱ নকৰে আৰু প্ৰায়েই গোচৰ দিয়ে। শিক্ষক হিচাপে আপুনি শিশুটিৰ মানসিক অৱস্থাৰ ভালদৰে বিচাৰ কৰিব লাগে।

## 5.6.3. অভিৰোচন উন্নত কৰা

শিশুৰ অভিৰোচন উন্নত কৰাত সঠিক সমৰ্থন প্ৰদানেৰে (শিশুক) শিক্ষণ দিয়াটোৱে শিক্ষকৰ লক্ষ্য হোৱা উচিত যাতে শিশুৱে সৰ্বোৎকৃষ্ট শৈক্ষিক বিকাশৰ বাবে এটা যথোপযুক্ত বুনিয়াদ গঢ়িব পাৰে। বহুতো বাহ্যিক পুৰস্কাৰ ব্যৱহাৰৰ বিষয়ে শিক্ষক অত্যন্ত সাৱধান হোৱা প্ৰয়োজন, কিয়নো ই শিশুৰ অভিৰোচনৰ বিকাশত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব পাৰে। কোনো এটা কাম সমাধা কৰাৰ বাবে প্ৰশংসা কৰাতো ঠিক কথা, কিন্তু আপুনি নিশ্চিত হওক যে আপোনাৰ সন্তানে নিজৰ আগ্ৰহেৰেহে কামটো কৰিছে, কিন্তু আপোনাৰ পৰা প্ৰশংসা পোৱাৰ আশাত কৰা নাই বা আপোনাৰ পৰা প্ৰশংসা পোৱাৰ আশাত নকৰিবও পাৰে।

শিশুৰ পৰিৱেশৰ ভিতৰত ডাঙৰসকলে যেতিয়া এক বাহ্যিক মানৰ বাবে শিশুক জোৰ দিয়ে তেতিয়াই অসুবিধাৰ সৃষ্টি হয়। লগতে মানসিক পুৰস্কাৰ পদ্ধতিৰ ঠাইত বাহিৰৰ পুৰস্কাৰ যেনে (কেন্‌ডি, পইচা, অত্যাধিক প্ৰশংসা) এইবোৰৰ হেঁচাৰ ওপৰতহে বিষয়টো নিৰ্ভৰশীল হয়গৈ। তেতিয়াই শিশুৱে ভাবিবলৈ লয় যে অন্যৰ দ্বাৰা প্ৰশংসা বা পুৰস্কাৰ পোৱা মানেই কৃতকাৰ্য হোৱা। তেওঁলোকৰ আভ্যন্তৰীণ অভিৰোচন নোহোৱা হ'বলৈ ধৰে আৰু কোনোবাই তেওঁলোকক কৃতকাৰ্য হোৱা বুলি বিচাৰ নিৰ্ণয় কৰিলেই কৃতকাৰ্য হোৱা বুলি অনুভৱ কৰে। এনে পৰিৱেশ পৰিস্থিতিত শিশুৰ আত্ম উৎকৰ্ষ ভাবৰ বিকাশ নঘটে আৰু অন্য কাৰোবাৰ মানদণ্ডৰেহে নিজৰ মূল্য নিৰ্ণয় কৰিব। আপোনাৰ সন্তানে কেতিয়াও সোধাৰ প্ৰয়োজন হোৱা অনুচিত 'মই ঠিকেই কৰিলোনে?' শিশুটিয়ে নিজৰ কৃতকাৰ্যতা সম্পৰ্কে নিজে জনা আৰু দৃঢ় হোৱা উচিত।

শিশুসকলক আভ্যন্তৰীণভাৱে সম্পূৰ্ণ অভিৰোচিত হৈ থকাত সহায় কৰিবৰ বাবে শিশুকে ব্যৱহাৰ কৰিব পৰা বহুতো কৌশল আছে।



টোকা

শিশুৰ বাবে এটা মুকলিমূৰীয়া পৰিৱেশৰ সৃষ্টি কৰি (বয়স মতে পুতলা, বেলেগ ক্রিয়া-কলাপ,খেলনা আদিৰ জৰিয়তে) তেওঁলোকক মুকলিকৈ খেলিবলৈ বা অনুসন্ধান কৰিবলৈ দিব লাগে আৰু তেওঁলোকৰ (খেলনাৰ) কাৰ্যকুশলতাৰ প্ৰভাৱ মন কৰিব লাগে (অৰ্থাৎ পুতলাটোৱে লৰচৰ কৰোঁতে তেওঁলোকে চাইছেনে নে কিবা স্পৰ্শকাতৰ পৰিৱৰ্তন হৈছে)

শিশুৱে কাম কৰি থাকোঁতে নেৰানেপেৰাকৈ লাগিবৰ বাবে যথেষ্ট সময় দিব লাগে। শিশু যেতিয়া গভীৰভাৱে কোনো ক্রিয়া-কলাপত নিমগ্ন হয়, তেতিয়া তেওঁলোকে কোনো বাধা বিপত্তি নোহোৱাকৈ যাতে শেষ কৰিব পাৰে তাৰ প্ৰতি সচেষ্ট হ'ব লাগে। 'সহায়' কৰিবলৈ থকা স্বতঃস্ফূৰ্ত প্ৰৱণতাক প্ৰতিহত কৰা, শিশুৰ প্ৰয়োজনৰ প্ৰতি একেধৰণেই সঁহাৰি জনোৱা, ভৱিষ্যৎবাণী কৰাৰ মানসিকতা আদি প্ৰতিহত কৰিব লাগে, কিন্তু তেওঁলোকক যিমানখিনি সম্ভৱ হয় আত্মনিৰ্ভৰশীল হ'বলৈ দিব লাগে। সীমাবদ্ধতাৰ বিষয়ে স্পষ্টকৈ বুজাই দিয়াতো সকলো শিশুৰ বাবে প্ৰয়োজনীয়। খেলৰ বাবে কোনো ধৰা-বন্ধা সময় নীতি আদি থাকিব নালাগে। শিশুক বিভিন্ন সুযোগ সুবিধা দিব লাগে আৰু পোনপটীয়াকৈ শিশুৰ লগত মতামত বিনিময় কৰিব লাগে। কোনো এক ক্রিয়া-কলাপত শিশু আৰু প্ৰাপ্তবয়স্কই একেলগে কাম কৰাতো গুৰুত্বপূৰ্ণ। এইটোৱে আপোনাক নিৰীক্ষণ কৰাত সহায় কৰিব আৰু শিশুসকলক উৎসাহিত কৰিব। শিশুক দিয়া সুযোগ সুবিধাৰ পৰিৱেশে শিশুক এক গ্ৰহণযোগ্য প্ৰত্যাহ্বান আনি দিয়ে। যিবোৰ ক্রিয়াকলাপ শিশুৰ বাবে অলপ কঠিন হয় সেইবোৰ ক্রিয়া-কলাপৰ বাবে শিশু বেছি অভিৰোচিত হয় আৰু ক্রিয়া-কলাপ শেষ হোৱাৰ পিছত কৃতকাৰ্যতাটো অধিকভাৱে অনুভৱ কৰে। প্ৰথমতে অলপ সময় প্ৰচেষ্টা আৰু ভুলৰ বাবে ল'ব পাৰে। শিশুক নিজে সমাধা কৰি কামৰ মূল্যায়ন কৰিবলৈ যথেষ্ট সুযোগ দিব লাগে। শিশুৱে ভাল কাম কৰিছে বুলি আপুনি নিজে ঘোষণা কৰাতকৈ তেওঁলোকৰ কামৰ বিষয়ে তেওঁলোকে কি ভাবিছে সেইটোহে সোধক। 'তুমি কি ভাবিছা?' এই প্ৰশ্নটো সোধাৰ ভুল আপুনি নকৰিব।

অতিমাত্ৰা পৰিস্কাৰ নিদিব। ইয়ে শিশুৰ দক্ষতাক দুৰ্বল কৰি তোলাৰ সুৰুঙা ৰাখে। শিশুৱে প্ৰকৃততে কামটো সমাধান কৰাতকৈ কোনো কামত লাগি থকা আৰু শিশুৱে কৰা চেষ্টাৰ ওপৰত ভিত্তি কৰিহে পুৰস্কাৰ দিয়া আৰু প্ৰশংসা কৰা উচিত।

শিশুৰ দৃষ্টিত পৃথিৱীখন এখন মৰ্যাদাপূৰ্ণ ঠাই। শিশুক নিজৰ পৃথিৱীখন আৱিষ্কাৰ আৰু অনুসন্ধান কৰিবলৈ সন্মতি দিয়ক। উঠি অহা শিশুৰ মনত চৌদিশৰ প্ৰতিটো কোনতে আশ্চৰ্য আৰু উদ্বিগ্নতা থাকে। তেওঁলোকৰ বাবে কম বাধ্যবাধকতা আৰু অবাধ স্বাধীনতাৰ প্ৰয়োজন। শিশুৱে যেতিয়া নিজৰ পৰিৱেশ নিয়ন্ত্ৰণৰ চেষ্টাৰে নিজা কিবা ক্রিয়া-কলাপ কৰে তেতিয়া প্ৰশংসা বা পুৰস্কাৰ দিয়াৰ প্ৰয়োজন নাই। তেনে ক্রিয়া-কলাপৰ ফলাফলৰ পৰা পোৱা কাম সম্পাদন কৰাৰ অনুভৱেই তেওঁলোকৰ বাবে পুৰস্কাৰ হিচাপে যথেষ্ট। অতিমাত্ৰা প্ৰশংসা আৰু পুৰস্কাৰ প্ৰদান অপ্ৰয়োজনীয় আৰু শিশুৰ অভিৰোচন আৰু শিকন প্ৰৱণতাৰ বাবে ই ক্ষতিকাৰক। মনত ৰখা ভাল যে সৰু কালতেই শিকনৰ প্ৰতি মনোভাৱ আৰু অভ্যাস গঠন হয়। ভৱিষ্যতে গোটেই জীৱনৰ



টোকা

বাবেও এই মেজাজ বা মনৰ এক স্থায়ী ৰূপত থাকি যায়।

**আপোনাৰ অগ্ৰগতি খতিয়ান- 4**

1. কণ কণ শিশুৰ বৈশিষ্ট্যসমূহ কি?

..................................................................................................

..................................................................................................

..................................................................................................

2. শিশুৰ অভিৰোচন কেনেকৈ বঢ়াব পাৰি?

..................................................................................................

..................................................................................................

..................................................................................................

## 5.7 সাৰাংশ

ধাৰণা গঠন কি আৰু বিভিন্ন ধাৰণাৰ বোধৰ পৰা আত্ম ধাৰণাবোধৰ বিকাশ কেনেকৈ হয় সেই বিষয়ে আমি এই গোটত অধ্যয়ন কৰিলোঁ। আত্ম ধাৰণাৰ বিকাশত প্ৰভাৱ পেলোৱা উপাদানসমূহ আৰু ধাৰণা গঠনত সহায় কৰা উপাদানৰ বিষয়েও শিকিলো। আত্মধাৰণাৰ সঠিক বিকাশৰ অগ্ৰগতিক সুচল কৰিবৰ বাবে আত্মধাৰণা বিকাশৰ প্ৰক্ৰিয়াটো শিক্ষক হিচাপে আপুনি বুজি পোৱাতো অত্যন্ত প্ৰয়োজন।

শিশুৰ মনোবৈজ্ঞানিক বিকাশক সঠিকভাৱে আগবঢ়াই নিবৰ বাবে মূল্যবোধ, সংবোধন আৰু অভিৰোচনৰ সঠিক বিকাশক সুচল কৰি তোলাতো আমাৰ বাবে প্ৰয়োজন। শিক্ষকৰ দ্বাৰা নিয়মানুবৰ্তিতাৰ উপযুক্ত প্ৰয়োগৰে ছাত্ৰ-ছাত্ৰীৰ মাজত মূল্যবোধৰ বিষয়ে যথাযোগ্য বিকাশ ঘটাব পাৰিব। নৈতিক বিকাশৰ দৰে শিশুৱে অন্য কথাবোৰ শিকিবলৈ আৰম্ভ কৰোতেই মনোভাৱৰ বিকাশো প্ৰথমতেই আৰম্ভ হয়। নিকটতম বন্ধু আৰু পৰিয়ালৰ সদস্যসকলৰ লগত হোৱা চিন্তা, মতামত বিনিময়ৰ যোগেদি ঘৰুৱা পৰিৱেশত ঘৰতেই শিশুৰ মনোভাৱ বিকাশ লাভ কৰে। পিছত লাহে লাহে বিভিন্ন তথ্যৰ উৎস আৰু শিশুৰ প্ৰয়োজনক সন্তুষ্টকৰণৰ জৰিয়তে লগৰ সমনীয়া আৰু সমাজৰ সদস্যসকলৰ পৰা অনুকূল আৰু প্ৰতিকূল মনোভাৱৰ দ্বাৰা প্ৰভাৱান্বিত হয়। নিজৰ ছাত্ৰ-ছাত্ৰীসকলক বিশ্বাসত লোৱা আৰু নিজেও বিশ্বাসভাজন হৈ শিক্ষকসকলে ৰিস্ক লোৱাৰ প্ৰয়োজন হয়। তেওঁলোকে স্বতন্ত্ৰ ব্যক্তি গঢ়ি তোলাৰ প্ৰয়োজন যাতে শিকনে সুন্দৰকৈ সম্ভৱ হ'ব পাৰে। ফলপ্ৰসূ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ যত্ন লয়, মৰম কৰে, গ্ৰহণ কৰে আৰু মূল্য দিয়ে। এইসকল শিক্ষকে দয়া মমতাৰ প্ৰদৰ্শন কৰে, দায়িত্ববোধৰ বিনিময় কৰে, বিচিত্ৰতাক গ্ৰহণ কৰে, ব্যক্তি নিৰ্দেশনা গঢ়ি তোলে আৰু সৃষ্টিশীলতাক উৎসাহিত কৰে। এই পাঁচবিধ মনোভাৱৰ জ্ঞান আৰু কাৰ্যই এজন শিক্ষকক ফলপ্ৰসূ শিক্ষক হিচাপে গঢ়াত সম্ভাৱনা থাকে যাক পিছত ছাত্ৰ-ছাত্ৰীসকলে অতি শ্ৰদ্ধাৰে মনত পেলাব। বিভিন্ন ধৰণৰ সংবোধনৰ বিকাশৰ বাবে জ্ঞান, স্মৃতি আৰু



টোকা

খেলাধূলাৰ খুউব প্ৰয়োজন। সংবোধন আৰু বুদ্ধিমত্তাৰ বিকাশৰ বাবে খেলৰ গুৰুত্বৰ বিষয়ে Jean Piaget আৰু Vyogotsky-এ যথেষ্ট কৈছে। শিকনৰ বাবে খেল পদ্ধতি যদি ব্যৱহাৰ কৰা হয় তেন্তে ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাতেই বেছিকৈ বুজে বা শিকে বুলি শিক্ষকে জনাতো প্ৰয়োজন। এজন শিক্ষকে যদি মানসিকভাৱে প্ৰস্তুত হয় আৰু শ্ৰেণীত খেল পদ্ধতি ব্যৱহাৰৰ বিষয়ে ভালকৈ বুজি পায় তেন্তে তেওঁ শ্ৰেণীকোঠাতেই বিভিন্ন ধাৰণা আৰু বিষয় শিকাব পাৰে। শিকন আৰু সংবোধন বা বোধ ক্ষমতাৰ উন্নতি কৰাৰ প্ৰয়োজনত দিনটোৰ কিছু সময় শিশুক খেলিবলৈ দিব লাগে বুলি শিক্ষকে পিতৃ-মাতৃক উদগণি দিয়াটোও শিক্ষকৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। শিকনৰ বাবে মাত্ৰ খেল-ধেমালিয়ে গুৰুত্বপূৰ্ণ নহয়। শিকনৰ বাবে অভিৰোচনো (motivation) খুউব গুৰুত্বপূৰ্ণ। শিশুৱে যেতিয়া কিবা এটা কৰিবলৈ বিচাৰে তেতিয়া এইটো শিকাবলৈ বৰ সহজ। শিশুক যেতিয়া অইনে কিবা কৰিবলৈ কয় আৰু শিশুৱে সেই কামৰ প্ৰতি আগ্ৰহী নহয় তেতিয়া শিশুক শিকোৱা বা শিকনৰ প্ৰতি অভিৰোচিত কৰাতো কঠিন। বেছিকৈ বাহ্যিক পুৰস্কাৰ প্ৰদানৰ ক্ষেত্ৰত শিক্ষকসকল খুউব সাৱধান হোৱা উচিত কাৰণ ই শিশুৰ অভিৰোচিত শিকনত বাৰুকৈয়ে বেমেজালিৰ সৃষ্টি কৰিব পাৰে। কোনো কাম সমাধা কৰাৰ বাবে প্ৰশংসা কৰাতো উপযুক্ত, কিন্তু লগতে এইটোও চাব লাগিব যে শিশুটি কামটোৰ প্ৰতি নিজে আগ্ৰহী বাবে কৰিছে, শিক্ষকৰ পৰা প্ৰশংসা পোৱাৰ আশাৰে কৰা নাই বা তেনেদৰে ভবাও নাই।

## 5.8. আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰিবৰ বাবে উত্তৰ লিখন

১। শিশুৰ আত্ম ধাৰণাৰ বিকাশক প্ৰভাৱান্বিত কৰা উপাদানসমূহ বৰ্ণনা কৰক। আত্ম-ধাৰণাৰ উপযুক্ত বিকাশৰ বাবে শিক্ষক হিচাপে শ্ৰেণীকোঠাত শিশুক আপুনি কেনেকৈ পথ নিৰ্দেশনা দিব?

২। ভাল মনোভাৱ গঢ়ি তোলাৰ বাবে ছাত্ৰ-ছাত্ৰীক পথ নিৰ্দেশনা দিয়াৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা কি হ'ব?

৩। শিশুৰ অভিৰোচন বঢ়াই তুলিবৰ বাবে শ্ৰেণীকোঠাত শিক্ষকে কি কৌশল অৱলম্বন কৰিব পাৰে?

## 5.9. ছাত্ৰ-ছাত্ৰীৰ

http://www.usca.edu/essays/vol132005/gourneau.pdf.

Hurlock (1953) Developmental Psychology, A life span approach. Tata McGraw- Hill Publishing Company Limited, New Delhi, India.

Dandapani.S ( 2010) A textbook of Advanced educational Psychology. Anmol

Publications PVT.LTD, New Delhi, India.



টোকা

P.Natraj (1995) Psychology, Srinivasa Publications, Mysore, Karnataka, India.

## 5.10. গোট সমাপ্তিৰ অনুশীলন

শ্ৰেণীকোঠাত এটা সাধাৰণ অনুশীলন লওক। শ্ৰেণীটোক দুটা সমান একে ভাগত ভাগ কৰক আৰু তেওঁলোকক কিছুমান কাম দিয়ক। বেলেগ বেলেগ মনোভাৱ ব্যৱহাৰ কৰক আৰু আপোনাৰ মনোভাৱৰ ধৰণৰ ওপৰত ভিত্তি কৰি কোনটো দলে আটাইতকৈ ভাল পাৰদৰ্শিতা দেখুৱাইছে নিৰীক্ষণ কৰক।

২। মূল্যবোধ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ বোধক সৰ্বোচ্চ পৰ্যায়ত ব্যৱহাৰ কৰিবলৈ শিকাওক আৰু ব্যৱহাৰৰ পৰ্যায় নিৰীক্ষণ কৰক।

৩। ছাত্ৰ-ছাত্ৰীৰ মনোভাৱৰ পৰ্যায়টো জুখিবৰ বাবে বিভিন্ন প্ৰামাণিক পৰীক্ষা অনুষ্ঠিত কৰক।

****